www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কৃতকাৰ্য হ'বলৈ হ'লে তোমাৰ ভীষণ অধ্যাৱসায় আৰু প্ৰবল ইচ্ছা শক্তি থাকিব লাগিব। – স্বামী বিবেকানন্দ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬১ | শুকুৰবাৰ | ৩১ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 261 | Friday | 31st July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-6

## 'বন্দে মাতৰম' বিকৃত ৰূপত পৰিৱেশন কৰিলে তিনি বছৰ কাৰাদণ্ড

### সংসদত গৃহীত নতুন বিধেয়ক বিৰোধীৰ তীব্ৰ সমালোচনা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ক বিকৃত ৰূপত পৰিৱেশন কৰা বা অপমান কৰা এতিয়াৰে পৰা শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰা হ'ব। বৃহস্পতিবাৰে লোকসভাত ৫ পৃষ্ঠাত

## নাজিৰাত পুনৰ তিনিগৰাকী লোকৰ মৃতদেহ উদ্ধাৰ

### নেপালীখুটিৰ পৰা দুগৰাকী মহিলা আৰু আন এটা স্থানৰ পৰা পুৰুষৰ মৃতদেহ উদ্ধাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ জুলাই ঃ** বৃহস্পতিবাৰে শিৱসাগৰ জিলাৰ নাজিৰা অঞ্চলত শেহতীয়া প্ৰলয়ংকাৰী বানপানীত উটি গৈ সন্ধানহীন হৈ থকা তিনিগৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হয়। একেলগে তিনিগৰাকী লোকৰ মৃতদেহ উদ্ধাৰ হোৱাত সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। উদ্ধাৰ কৰা মৃতদেহসমূহৰ ভিতৰত দুগৰাকী মহিলা আৰু এজন ৫ পৃষ্ঠাত

## চাৰি জিলাৰ ঋণগ্ৰস্ত বন্যাৰ্তলৈ সকাহ ঃ ছমাহলৈ ঘূৰাই দিব নালাগে কোনো ঋণ

# উজনিৰ বন্যাৰ্তলৈ চৰকাৰৰ ফেমিলী কিট

■ বান বিধ্বস্ত শিৱসাগৰ আৰু চৰাইদেউৰ নামঘৰসমূহে পাব ডেৰলাখকৈ টকা ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** অসমৰ বানপীড়িত লোকসকললৈ সকাহ প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। বানাক্ৰান্ত অঞ্চলসমূহৰ বেংক সম্পৰ্কীয় সমস্যাৰ সমাধান, আৰ্থিক সাহায্য, ঋণ ম'ৰেটৰিয়াম, ৰিলিফ কিট আৰু শিক্ষাৰ্থীসকলৰ বাবে বিশেষ আঁচনিৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ৰাজ্য চৰকাৰৰ প্ৰাপ্ত তথ্য অনুসৰি, এতিয়ালৈকে অসমৰ মুঠ ১৯টা ৰাজহ চক্ৰ আৰু ১,১৩১খন গাঁও বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হৈছে, য'ত মুঠ ৯, ৯৬, ০৬৬ গৰাকী লোক আক্ৰান্ত হৈছে। ৰাজ্য চৰকাৰে ১৮৫টা বান শিবিৰ স্থাপন কৰিছে, য'ত বৰ্তমান ৬৭,৬৯৭ গৰাকী ব্যক্তি আশ্ৰয় লৈ আছে। এই বানত এতিয়ালৈকে ৭১ গৰাকী লোকৰ মৃত্যু হৈছে, আনহাতে শিৱসাগৰৰ এজন লোক এতিয়াও সন্ধানহীন হৈ আছে। বানপানীয়ে ৰাজ্যৰ ব্যাপক আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিছে-৩৯৭টা অংগনৱাড়ী কেন্দ্ৰ আৰু ৫৯৮খন বিদ্যালয় ধ্বংস বা ক্ষতিগ্ৰস্ত হৈছে, লগতে বহু চৰকাৰী ভৱন, পথ-ঘাট আৰু অন্যান্য নিৰ্মাণো বানৰ তাণ্ডৱলীলাত নষ্ট হৈছে। সাহায্য বিতৰণৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে ১৯, ৪৬৯ কুইণ্টল ৫ পৃষ্ঠাত



## অসমৰ বানপীড়িতৰ বাবে কেন্দ্ৰৰ বিশেষ সাহায্য পেকেজৰ দাবী মুখ্যমন্ত্ৰীৰ

### ১১ দিন পাৰ হৈও উন্নতি নোহোৱা বান পৰিস্থিতি, খোৱাপানীৰ প্ৰতি সংকট

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জুলাইঃ** উজনি অসমত সংঘটিত প্ৰলয়ংকাৰী বানপানীৰ পৰা ১১-১২ দিন অতিক্ৰম কৰিলেও ৰাজ্যখনৰ পৰিস্থিতি এতিয়াও স্বাভাৱিক অৱস্থালৈ ঘূৰি অহা নাই। আজিও বহু লোক নিখোঁজ হৈ আছে, আনহাতে বিশুদ্ধ খোৱাপানীৰ অভাৱত অসংখ্য পৰিয়ালে হাহাকাৰ কৰিবলগীয়া হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাইজে উজনিৰ বানপীড়িতসকলক উদ্ধাৰ আৰু সহায় কৰিবলৈ আগবাঢ়ি আহিছে যদিও প্ৰয়োজনীয় সম্পদ আৰু ব্যৱস্থা যথেষ্ট নহয় বুলি পৰিলক্ষিত হৈছে। এই প্ৰেক্ষাপটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিশেষ সহায় পেকেজ বিচাৰি ৫ পৃষ্ঠাত

## মথাউৰি নিৰ্মাণত হেমাহি কৰা ঠিকাদাৰক পুনৰ কাম দিব নালাগে ঃ গৌৰৱ গগৈ

### যোৰহাটত বানপীড়িতসকলৰ মাজত সাহায্য বিতৰণ ঃ ৰাইজৰ পৰামৰ্শ অৱজ্ঞা কৰা ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ মন্তব্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ জুলাই ঃ** বান বিধ্বস্ত অঞ্চলত উপস্থিত হৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে মথাউৰি নিৰ্মাণক লৈ তীব্ৰ সমালোচনা কৰে। কংগ্ৰেছ কৰ্মীসকলৰ উদ্যোগত বানপীড়িতসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয় যে, যি ঠিকাদাৰে ৰাইজৰ পৰামৰ্শ অৱজ্ঞা কৰি নিম্নমানৰ মথাউৰি নিৰ্মাণ কৰে, তেনে ঠিকাদাৰক পুনৰ কাম দিয়া উচিত নহয়। গগৈয়ে উল্লেখ কৰে যে কেইমাহমান আগতে এই অঞ্চলত মথাউৰি নিৰ্মাণৰ কাম হৈছিল। সেই সময়ত স্থানীয় ৰাইজে কামবোৰৰ গুণগত মান আৰু নিৰ্মাণ পদ্ধতিৰ বিষয়ে অসন্তুষ্টি প্ৰকাশ কৰিছিল। কিন্তু ঠিকাদাৰে ৰাইজৰ পৰামৰ্শ আৰু অনুৰোধবোৰ অৱজ্ঞা কৰি টীয়কৰ ধনতোলাৰ লগতে বিভিন্ন স্থানত মথাউৰি নিৰ্মাণ কৰে। ৫ পৃষ্ঠাত

## অসমৰ বানক্ষয়ৰ পৰ্যালোচনা কৰি দিল্লীলৈ উভতিল কেন্দ্ৰীয় প্ৰতিনিধি দল

### চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট পৰিদৰ্শন ঃ মুখ্য সচিবৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুলাই ঃ** অসমৰ ভীষণ বান পৰিস্থিতিৰ প্ৰত্যক্ষ মূল্যায়ন কৰি আহিবলৈ ভাৰত চৰকাৰে প্ৰেৰণ কৰা ছয় সদস্যবিশিষ্ট আন্তঃমন্ত্ৰণালয় কেন্দ্ৰীয় দলটোৱে নিজৰ চাৰিদিনীয়া ভ্ৰমণ সমাপ্ত কৰি বুধবাৰে দিল্লী অভিমুখে ৰাওনা হয়। বানপানীৰ ক্ষয়-ক্ষতিৰ বিষয়ে প্ৰয়োজনীয় তথ্য-উপাত্ত সংগ্ৰহ কৰি দলটোৱে ৰাজ্যখনৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে এখন উচ্চপৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। দিছপুৰস্থিত জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব তথা অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ৫ পৃষ্ঠাত

## উজনি অসমত পুনৰ বানৰ আশংকা নীপকোৰ তিনিখনকৈ গেট মুকলি

### দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলস্তৰ বৃদ্ধি, প্ৰতি ছেকেণ্ডত ৯৪ হাজাৰ লিটাৰ পানী নিষ্কাশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ জুলাইঃ** উজনি অসমৰ কেইবাখনো জিলাৰ বান পৰিস্থিতিৰ মাজতে পুনৰ উদ্বেগৰ সৃষ্টি কৰিছে নীপকো কৰ্তৃপক্ষই। বৃহস্পতিবাৰে পুৱা নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ তিনিগোট গেট মুকলি কৰি পানী এৰি দিয়ে নীপকোৱে। অতি বৰষুণৰ ফলত জলাধাৰৰ পানীৰ স্তৰ চৰম সীমাত উপনীত হোৱাত এই সিদ্ধান্ত লোৱা হয়। প্ৰকল্পটোৰ পৰা প্ৰতি ছেকেণ্ডত ৯৪ হাজাৰ লিটাৰ হাৰে পানী নিষ্কাশন কৰা হৈছে। ইয়াৰ ফলত গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ দৈয়াং নৈৰ পানীৰ স্তৰ দ্ৰুতগতিত বৃদ্ধি পাব বুলি আশংকা কৰা হৈছে। স্থানীয় বাসিন্দাসকলৰ ৫ পৃষ্ঠাত



## বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্যপুথি লৈ উজনিলৈ ৰাওনা সাতখন ট্ৰাক

### শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগুৰ কাৰ্যসূচীৰ শুভাৰম্ভ, প্ৰথম পৰ্যায়ত ৯ লাখ কিতাপ, আঁঠুৱা-বিছনা চাদৰো প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুলাই ঃ** উজনি অসমৰ চৰাইদেউ, যোৰহাট আৰু শিৱসাগৰ জিলাত শেহতীয়া প্ৰলয়ংকাৰী বানপানীৰ ফলত লাখ লাখ শিক্ষাৰ্থীৰ কিতাপ-পত্ৰ, বহী-কলম আদি সম্পূৰ্ণৰূপে নষ্ট হৈ যায়। এই পৰিস্থিতিত চৰকাৰে ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকললৈ বিনামূলীয়া পাঠ্যপুথি প্ৰদানৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৃহস্পতিবাৰে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গুৱাহাটীৰ নাৰেংগী অঞ্চলৰ বোন্দাস্থিত অসম ৬ পৃষ্ঠাত

## অসমৰ বানপীড়িতৰ বাবে ৫ কোটি টকাৰ অনুদান সজ্জন জিন্দালৰ

■ জে এছ ডব্লিউ অধ্যক্ষৰ উদাৰতা ঃ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৃহৎ অৱদান ■



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুলাই ঃ** অসমৰ বানপীড়িত লোকসকলৰ বাবে এটি বৃহৎ সাহায্য পাইছে। জে এছ ডব্লিউ গোষ্ঠীৰ অধ্যক্ষ শ্ৰীসজ্জন জিন্দালে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ কোটি টকাৰ বৃহৎ অৱদান আগবঢ়াইছে। আটাইতকৈ উল্লেখযোগ্য কথাটো হ'ল, এই অনুদানৰ সম্পৰ্কে কোনো পূৰ্ব ঘোষণা কৰা হোৱা নাছিল-আনকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও এই বিষয়ে আগতে অৱগত নাছিল। ৫ পৃষ্ঠাত

## নিৰ্বাচনৰ সময়ত সপ্তাহত দুবাৰ অহা প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰী বানৰ সময়ত কিন্তু নাহে ঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

### মাহমৰাত বানপীড়িতসকলৰ মাজত সাহায্য বিতৰণ ঃ বিশেষ অৰ্থনৈতিক পেকেজ আৰু বিশেষজ্ঞ সমিতি গঠনৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ জুলাই ঃ** নাগালেণ্ডৰ পৰা অহা বানপানীৰ তীব্ৰ সোঁতত ঐতিহাসিক চৰাইদেউ জিলা ধ্বংসস্তূপত পৰিণত হৈছে। কোনো দিনেই বানৰ ভয়াবহতাৰ কথা কল্পনা নকৰা এই অঞ্চলৰ ৰাইজে নিজৰ কষ্টোপাৰ্জিত সা-সম্পত্তি হেৰুৱাইছে। বৰ্তমান বান পৰিস্থিতি কিছু পৰিমাণে নিয়ন্ত্ৰণলৈ আহিলেও বহু বানপীড়িত আজিও আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হৈছে। এই কঠিন সময়ত বৃহস্পতিবাৰে সদৌ অসম ছাত্ৰ সন্থাৰ ৬ পৃষ্ঠাত



## বানে নষ্ট কৰা পথাৰত কঠীয়া-ৰোৱনী লৈ অজাপ সভাপতি লুৰিণজ্যোতি গগৈ

### মাহমৰাৰ কৃষকক সহায়; বানপীড়িসকলৰ বাবে মুকলি কৰিলে হেল্পলাইন নম্বৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰাণ, ৩০ জুলাই ঃ** উজনি অসমৰ বান পৰিস্থিতি যদিও কিছু পৰিমাণে নিয়ন্ত্ৰণলৈ আহিছে, তথাপি বানপীড়িত ৰাইজৰ বাবে এতিয়া আৰম্ভ হৈছে এক নতুন সংকট। বান শিবিৰৰ পৰা ঘৰমুৱা হৈছেবহু পৰিয়াল, কিন্তু ঘৰত সোমালেই ৬ পৃষ্ঠাত

## উজনি অসমৰ বানক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণাৰ দাবীৰে প্ৰধানমন্ত্ৰীলৈ পত্ৰ অসম সাহিত্য সভাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুলাই ঃ** ৰাজ্যৰ উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাটকে ধৰি কেইবাখনো জিলাত সংঘটিত প্ৰলয়ংকাৰী বানপানীৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি অসম সাহিত্য সভাই বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নামত এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনত সাহিত্য সভাই বান পৰিস্থিতিটোক 'ৰাষ্ট্ৰীয় দুৰ্যোগ' ঘোষণা কৰাৰ লগতে ৫ পৃষ্ঠাত



### সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ স্বাক্ষৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ জৰুৰী পত্ৰ

## অসম সাহিত্য সভাৰ ঐতিহাসিক সিদ্ধান্ত ঃ বিশ্লেষণাত্মক গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা

## জুবিন গাৰ্গৰ সংগীত আৰু সৃষ্টিৰাজিক 'জুবিন সংগীত' হিচাপে স্বীকৃতি


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুলাই ঃ** অসম সাহিত্য সভাই প্ৰয়াত কিংবদন্তি কণ্ঠশিল্পী জুবিন গাৰ্গৰ বিস্তৃত সংগীত আৰু সৃষ্টিৰাজিক এক ঐতিহাসিক সামাজিক আৰু সাহিত্যিক স্বীকৃতি প্ৰদানৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। সাহিত্য সভাৰ নতুন সিদ্ধান্ত অনুসৰি, জুবিন গাৰ্গে ৰচনা কৰা সকলো গীতক একত্ৰিত কৰি 'জুবিন সংগীত' নামেৰে ৫ পৃষ্ঠাত

## এনএইচপিচিৰ নতুন সঞ্চালক হিচাপে দায়িত্ব গ্ৰহণ পৰেশ ৰণপাৰাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** ভাৰত চৰকাৰৰ অধীনস্থ প্ৰধান ৰাজহুৱা খণ্ডৰ জলবিদ্যুৎ উদ্যোগ এনএইচপিচি লিমিটেডৰ নতুন সঞ্চালক হিচাপে নিযুক্তি পাইছে পৰেশ ৰসিকলাল ৰণপাৰাই। তেওঁ বৃহস্পতিবাৰে অতিৰিক্ত সঞ্চালক আৰু সঞ্চালক (পাৰ্ছনেল) পদত আনুষ্ঠানিকভাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ৬ পৃষ্ঠাত

## অবৈধ খননৰ ফলত দুৰ্যোগ উপগ্ৰহ চিত্ৰসহ চাঞ্চল্যকৰ অভিযোগ দেৱব্ৰত শইকীয়াৰ

### ২০১০-২০২৪ চনৰ উপগ্ৰহ চিত্ৰত স্পষ্ট প্ৰকৃতি ধ্বংস উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ উপেক্ষা কৰাৰ অভিযোগ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** উজনি অসমৰ বানপানীৰ মূল কাৰণ হিচাপে দিখৌ নদীৰ উৎপত্তি স্থল নাগা পাহাৰত চলি থকা অবৈধ খনন কাৰ্যক দায়ী কৰি কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই নতুনকৈ চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছে। ফেচবুকযোগে প্ৰকাশ কৰা উপগ্ৰহ চিত্ৰ আৰু দীৰ্ঘদিনীয়া ন্যায়িক প্ৰক্ৰিয়াৰ উল্লেখ কৰি তেওঁ এই বানপানীক "মানৱসৃষ্ট দুৰ্যোগ" বুলি অভিহিত কৰিছে। শইকীয়াই ফেচবুকত প্ৰকাশ কৰা ২০১০ চন আৰু ২০২৪ চনৰ উপগ্ৰহ চিত্ৰ দুখন তুলনা কৰি দেখুৱাইছে ৫ পৃষ্ঠাত

## স্বামী হত্যাৰ অভিযুক্তা মধ্য প্ৰদেশৰ ইন্দোৰবাসীনা ঃ আদালতৰ জিম্মালৈ প্ৰেৰণ

## উচ্চতম ন্যায়ালয়ৰ জামিন বাতিলৰ পিছত মেঘালয় আদালতত আত্মসমৰ্পণ সোণম ৰঘুবংশীৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জুলাই ঃ** ২০২৫ চনত মেঘালয়ত হনিমুন উদযাপনৰ সময়ত স্বামী ৰাজা ৰঘুবংশীক হত্যা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা সোণম ৰঘুবংশীয়ে উচ্চতম ন্যায়ালয়ৰ জামিন বাতিলৰ নিৰ্দেশ মানি মেঘালয়ৰ এখন আদালতত আত্মসমৰ্পণ কৰে। পূব খাছি পাহাৰ জিলাৰ আৰক্ষী অধীক্ষক বিবেক ছিয়েমে জনোৱা মতে, মধ্য প্ৰদেশৰ ইন্দোৰৰ বাসিন্দা অভিযুক্তাগৰাকীক মঙলবাৰে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে ২০২৫ চনৰ ২৩ মে'ত সোণম আৰু তেওঁৰ স্বামী ৰাজা ৰঘুবংশী মেঘালয়ৰ সোহৰা অঞ্চলত হনিমুন কটাবলৈ গৈছিল। কিন্তু তাতেই দুয়ো নিৰুদ্দেশ হয়। পাছত ২০২৫ চনৰ ২ জুনত ৰাজাৰ ৫ পৃষ্ঠাত



আয়ুক্তৰ অনিয়মীয়া উপস্থিতত তীব্ৰ প্ৰতিক্ৰিয়া; সেৱাৰ পৰা বঞ্চিত ৰাইজ, ক্ষোভত ফাটি পৰিছে সাধাৰণ জনতা

# বিহালীত প্ৰহসনত পৰিণত হৈছে সম-জিলা আয়ুক্তৰ কাৰ্যালয়

**অসম বাৰ্তা, গহপুৰ, ৩০ জুলাই ঃ** ৰাজ্যৰ সাধাৰণ জনতাৰ চৰকাৰী কাম-কাজ সহজলভ্য কৰাৰ লগতে চৰকাৰী কাৰ্যালয়লৈ অহা-যোৱা কৰাৰ দীৰ্ঘদিনীয়া দূৰত্ব আৰু দুৰ্ভোগ হ্ৰাস কৰাৰ মহান উদ্দেশ্যৰে চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত সম-জিলা আয়ুক্তৰ কাৰ্যালয় স্থাপন কৰিছিল। এই ব্যৱস্থাৰ জৰিয়তে গাঁৱে-ভূঁয়ে বসবাস কৰা অতিসাধাৰণ খাটিখোৱা মানুহখিনিয়ে নিজৰ সমষ্টিৰ ভিতৰতে প্ৰশাসনিক সকলো সুবিধা লাভ কৰিব বুলি গভীৰ আশা পুহি ৰাখিছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালী সম-জিলাত এই জনকল্যাণকৰ ব্যৱস্থাটোৱে আশানুৰূপ ফল প্ৰদান কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সম-জিলা আয়ুক্তগৰাকীৰ অনিয়মিত উপস্থিতিক লৈ এতিয়া বিহালীৰ সচেতন মহল তথা সাধাৰণ ৰাইজৰ মাজত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, বিহালী সম-জিলা আয়ুক্তৰ গুৰুত্বপূৰ্ণ দায়িত্বত আছে অসম অসামৰিক সেৱাৰ বিষয়া কবিতা কাকতি কোঁৱৰ। কিন্তু তেওঁ কেৱল বিহালী সম-জিলাতে সীমাবদ্ধ নাথাকি একে সময়তে বিশ্বনাথ জিলাৰ অতিৰিক্ত আয়ুক্ত পদতো কৰ্মৰত হৈ আছে। সেই অনুসৰি বিশ্বনাথ জিলাৰ দৰে এখন ব্যস্ত জিলাত তেওঁ জিলা শিক্ষা, উন্নয়ন, ৰাজহকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ কাম-কাজৰ তদাৰক কৰিবলগীয়া হয়। এই দুমুখীয়া গুৰু দায়িত্বৰ হেঁচাত পৰি আয়ুক্তগৰাকীয়ে নিজৰ কাৰ্যলয়ৰ সময় বিভাজন কৰি লৈছে অত্যন্ত ব্যতিক্ৰমিভাৱে। প্ৰাপ্ত অভিযোগ মতে, সপ্তাহটোত মাত্ৰ দুদিনহে তেওঁ বিহালী সম-জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত থাকে আৰু বাকী চাৰি দিন বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত নিজৰ কাম-কাজ চলায়। এখন সম্পূৰ্ণ সম-জিলাৰ বাবে এজন প্ৰশাসনিক মুৰব্বীয়ে সপ্তাহত মাত্ৰ দুদিন সময় দিয়াটো এক অত্যন্ত বিসংগতিপূৰ্ণ বিষয় হিচাপে পৰিগণিত হৈছে। সপ্তাহত মাত্ৰ দুদিন মাত্ৰ বিহালী কাৰ্যালয়ত সমজিলা আয়ুক্তগৰাকী উপলব্ধ হোৱাৰ ফলত গুৰুতৰ আৰু অসহনীয় সমস্যাৰ সন্মুখীন হৈছে সাধাৰণ জনগণ। বিহালীৰ দূৰ-দূৰণিৰ অন্তৰ্জাতিক বা গ্ৰাম্যাঞ্চলৰ পৰা বিভিন্ন জৰুৰী কাম-কাজ, ভূমি সম্পৰ্কীয় সমস্যা বা চৰকাৰী সাহায্যৰ আশা লৈ অহা খাটিখোৱা ৰাইজে কাৰ্যালয়লৈ গৈয়ো সম-জিলা আয়ুক্তগৰাকীক সাক্ষাৎ কৰিব নোৱাৰাটো এক নিয়মীয়া পৰিণতিত পৰিছেগৈ। ফলস্বৰূপে, দিনটোৰ কাম পেলাই অহা দুখীয়া ৰাইজৰ বাছে-গাড়ীয়ে যাতায়াত কৰা খৰচৰ লগতে সময় আৰু ধন দুয়োটাই অপব্যয় হৈছে। যি সম-জিলা খোজকাঢ়ি বা কম খৰচেৰে যাব পৰা যাব বুলি আশা কৰা হৈছিল, এতিয়া সেয়ে ৰাইজৰ বাবে এক হাৰাশাস্তিৰ কাৰণ হৈ পৰিছে। চৰকাৰী সেৱা লাভ কৰাত প্ৰচণ্ড অসুবিধাৰ সৃষ্টি হোৱাত সাধাৰণ ৰাইজৰ চৰকাৰী প্ৰশাসনৰ ওপৰত থকা আস্থা লৰচৰ হ'বলৈ আৰম্ভ কৰিছে। শীৰ্ষ বিষয়াগৰাকী নিজৰ কাৰ্যালয়ত নিয়মীয়াকৈ উপস্থিত নাথকাৰ পোনপটীয়া আৰু মাৰাত্মক প্ৰভাৱ পৰিছে বিহালী সম-জিলা কাৰ্যালয়ৰ আন আন বিষয়া আৰু কৰ্মচাৰীসকলৰ ওপৰতো। অভিযোগ উঠিছে যে আয়ুক্তগৰাকীৰ অনুপস্থিতিৰ সুযোগ লৈ কাৰ্যালয়টোত কৰ্মসংস্কৃতি ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। অভিযোগ অনুসৰি, যিহেতু বিহালী সম-জিলাৰ খোদ মুৰব্বী গৰাকীয়েই কাৰ্যালয়ত সদায় উপস্থিত নাথাকে, গতিকে নিম্নবৰ্গৰ বা আন কৰ্মচাৰীসকলেও নিজৰ দায়িত্বত হেলা কৰাৰ এক অনৈতিক সুবিধা পাইছে। বহু সময়ত সাধাৰণ ৰাইজে কাৰ্যালয়লৈ গৈ দায়িত্বশীল বিষয়া-কৰ্মচাৰীক নিয়মীয়াকৈ নাপোৱাৰ বা কাম সময়মতে সম্পন্ন নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে। ইয়াৰ দ্বাৰা চৰকাৰৰ "ন্যূনতম চৰকাৰ, সৰ্বোত্তম শাসন" (Minimum Government, Maximum Governance) নীতি বিহালীত ভেঙুচালি কৰা পৰিলক্ষিত হৈছে। ইপিনে, স্থানীয় ৰাইজ তথা বিভিন্ন দল-সংগঠনে এই প্ৰশাসনিক ব্যৱস্থাটোক তীব্ৰ সমালোচনা কৰি কয় যে— যি সময়ত "ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰে জনসাধাৰণক কাষচপাৰ বাবে সম-জিলা ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। কিন্তু বিহালীত এই ব্যৱস্থাটো 'আছে গৰু নেবাই, হাল থকাতকৈ নথকাই ভাল' সদৃশ হৈ পৰিছে। যদি সম-জিলা আয়ুক্তই নিজৰ সমষ্টিত নিয়মীয়াকৈ বহিবই নোৱাৰে, তেন্তে তেনে নামমাত্ৰ কাৰ্যালয় থকাৰ কোনো অৰ্থ নাই।" গুৰুত্বপূৰ্ণ যে, যি উদ্দেশ্যেৰে বিহালীত সম-জিলা আয়ুক্তৰ কাৰ্যালয় স্থাপন কৰা হৈছিল, সেই উদ্দেশ্য যাতে আখৰে আখৰে সফল হয়, তাৰ বাবে স্থানীয় ৰাইজে চৰকাৰৰ ওচৰত তীব্ৰ দাবী উত্থাপন কৰিছে। জনসাধাৰণৰ সীমাহীন দুৰ্ভোগ আৰু অসুবিধাৰ প্ৰতি গভীৰভাৱে লক্ষ্য ৰাখি জিলা প্ৰশাসন তথা ৰাজ্য চৰকাৰে শীঘ্ৰেই এক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। বিহালী সম-জিলা কাৰ্যালয়ত যাতে অতিশীঘ্ৰে এজন পূৰ্ণকালীন আৰু নিয়মীয়াকৈ উপস্থিত থকা সম-জিলা আয়ুক্তক সুব্যৱস্থাসহ নিয়োগ কৰা হয়, তাৰ বাবে চৰকাৰ তথা প্ৰশাসনিক উচ্চতম কৰ্তৃপক্ষৰ প্ৰতি তীব্ৰ আহ্বান জনাইছে বিহালীৰ দুখীয়া-নিছলা আৰু সাধাৰণ ৰাইজে। অন্যথা অনাগত দিনত ৰাইজ অধিক তীব্ৰ আন্দোলনলৈ যাবলৈ বাধ্য হ'ব বুলিও সাঁকিয়াই দিছে।

# সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম বিশ্বনাথ জিলা সমিতিৰ বানাক্ৰান্তলৈ সাহায্য আগবঢ়ায়



**অসম বাৰ্তা, জিনজিয়া, ৩০ জুলাই ঃ** সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসম বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আৰু সমূহ বিশ্বনাথ বাসী ৰাইজৰ সহযোগত শিৱসাগৰ, চৰাইদেউ, নাজিৰা, যোৰহাটৰ বিভিন্ন অঞ্চলৰ বানাক্ৰান্তসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰে। সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতি দেৱজিৎ দত্তই বিশ্বনাথ জিলা সতীৰ্থ সকলৰ সৈতে সংগ দিয়ে। বানত সৰ্বস্ব হেৰুৱাই আশ্ৰয় শিবিৰত আশ্ৰয় লোৱা লোকসকলৰ কৰুণ অৱস্থা প্ৰত্যক্ষ কৰি সংগঠনটোৰ বিষয়ববীয়া সকল মৰ্মাহত হৈ পৰে। ঘৰৰ সকলো আচবাব বানপানীয়ে নষ্ট কৰি পেলোৱা দৃশ্যই সকলোকে ব্যথিত কৰে। এই সংকটজনক পৰিস্থিতিত সংগঠনটোৱে প্ৰতিটো পৰিয়াললৈ, খোৱা পানী, গা ধোৱা চাবোন, বিস্কুট, পেড, মমবাতি, জুইশলা, মহিলাৰ বাবে চাদৰ, শাৰী, পুৰুষৰ বাবে হাপ পেণ্ট, চাৰ্ট, গেঞ্জী, গামোচা, ধুতি, আৰু অন্যান্য প্ৰয়োজনীয় কাপোৰ বিতৰণ কৰে। জানিবলৈ দিয়া মতে প্ৰাই তেওঁলোকে ৮ লাখ টকাৰ সামগ্ৰী বিতৰণৰ বাবে লৈ গৈছিল, সন্ধিয়া প্ৰায় ৭ মান বজাত এই সাহায্য বিতৰণ কাৰ্যসূচীৰ অন্ত পৰে। যদিও কিছু পৰিমাণে সামগ্ৰী বৈ যোৱাৰ বাবে পিছদিনা বিতৰণ কৰিবলৈ শিৱসাগৰ জিলা সমিতিক দায়িত্ব অৰ্পণ কৰে। ভিতৰুৱা গাঁও কেইখনত এতিয়ালৈকে পৰ্যাপ্ত সাহায্য পোৱা নাছিল বাবে এই সামগ্ৰী লাভ কৰি ৰাইজে আনন্দ প্ৰকাশ কৰাৰ লগতে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ পদক্ষেপক প্ৰশংসা কৰে। এই বিপদৰ সময়ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন দল-সংগঠন আৰু লোকসকল উজনি অসমৰ বানপীড়িতক সহায় কৰিবলৈ ওলাই অহাটোৱে প্ৰমাণ কৰে যে সমাজত মানৱতা এতিয়াও জীয়াই আছে। সফলভাৱে এই কাৰ্যসূচী সম্পন্ন কৰাত সহযোগ কৰাৰ বাবে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতি দেৱজিৎ দত্ত আৰু শিৱসাগৰ জিলা সমিতিক, বিশ্বনাথ জিলা সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সাহায্য বিতৰণ কাৰ্যসূচীত উপস্থিত আছিল সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সভাপতি দেৱজিৎ দত্ত, শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক বেদান্ত বৰা, বিশ্বনাথ জিলা সমিতিৰ সভাপতি বিতোপন লহকৰ, সম্পাদক দিপুকন মিশ্ৰ, সীমান্ত শৰ্মা, অংকিত দাস, পাপন ভূঞা, বেদব্ৰত পৰাশৰ, পিংকো ডুৱে, মদন মহন্ত, ৰাজীৱ গুৱালা, লগতে উপস্থিত থাকে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় বিত্ত সম্পাদক হেমন্ত গগৈ।

# ডুমডুমা সম জিলাত স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩০ জুলাই ঃ** ডুমডুমা সমজিলাত আগন্তুক ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰাৰ বিষয়ে আলোচনা কৰিবলৈ মঙলবাৰে বিয়লি ডুমডুমাৰ 'টি চিটি গেষ্ট হাউচ'ত এখন সভা অনুষ্ঠিত হয়। ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে অসমৰ সাম্প্ৰতিক বানপানীত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। সভাত পূৰ্বৰ দৰেই এইবাৰো ডুমডুমা নগৰ খেলপথাৰত 'স্বাধীনতা দিৱস' অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই লগতে ৰাজ্যৰ সাম্প্ৰতিক বানপানীৰ পৰিপ্ৰেক্ষিতত তিনিচুকীয়া জিলা আৰু ইয়াৰ অন্যান্য সমজিলাসমূহৰ দৰে ডুমডুমাতো 'স্বাধীনতা দিৱস'ৰ কাৰ্যসূচী পূৰ্বতকৈ চমুৱাই অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি চলাবলৈ বিভিন্ন বিভাগৰ বিষয়া- কৰ্মচাৰীসকলৰ লগতে ডুমডুমা পৌৰসভাক দায়িত্ব প্ৰদান কৰা হয়। সভাত ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত, সহকাৰী আয়ুক্তদ্বয় সুদীপ গগৈ আৰু কৃতাৰ্থ নেওগ, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়াসকল, শিক্ষানুষ্ঠানৰ মুৰব্বীসকল, বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি আৰু সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলত বাঢ়নী পানীত প্ৰাণ গ'ল এজনৰ

**অসম বাৰ্তা, দেৰগাঁও, ৩০ জুলাই ঃ** ৰাজ্যত বান বিভীষিকাৰ মাজতে দেৰগাঁৱৰ ২ নং খকন্দগুৰি আদৰ্শ নামঘৰৰ সমীপত সংঘটিত হয় এক শোকাবহ ঘটনা। বাঢ়নী পানীত পৰি প্ৰাণ হেৰুৱাইছে গোলাপ ৰবিদাস নামৰ এজন ব্যক্তিয়ে। স্থানীয় ৰাইজৰ ভাষ্য অনুসৰি গৰুৰ বাবে কলপাত আনিবলৈ যাওঁতেই এই শোকাৱহ ঘটনাটো সংঘটিত হয়। ঘটনাস্থলীত দেৰগাঁও আৰক্ষীৰ লগতে SDRF বাহিনী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ভাতৃৰ মৃত্যুত এতিয়া নিথৰুৱা হৈ ৰ'ল একমাত্ৰ ভগ্নী। বিধায়ক মহোদয়ক দৰিদ্ৰ পৰিয়ালটোক কিছু আৰ্থিক সহায় কৰিবলৈ আহবান পৰিয়ালৰ। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ উদ্যোগত চিকাৰী মিচিং গাঁৱত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ জুলাই ঃ** উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি তথা 'উন্নত ভাৰত অভিযান' গোটৰ যৌথ সহযোগত আজি চিকাৰী মিচিং বালিপত্তি প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া চিকিৎসা শিবিৰ সফলতাৰে অনুষ্ঠিত হৈ যায়। পুৱা ১০ বজাত উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাহ্নৱী লহকৰ বৰুৱাই চিকিৎসা শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানতো আঁট ধৰে মহাবিদ্যালয়খনৰ জেষ্ঠ অধ্যাপক ড° উপেন বৰাই। জেংৰাইমুখ আদৰ্শ চিকিৎসালয়ৰ অধীক্ষক ডাঃ পবিত্ৰ মিৰিৰ নেতৃত্ব আৰু ব্যৱস্থাপনাত অনুষ্ঠিত এই শিবিৰত ডাঃ অৰ্ণিবান পেগু, ডাঃ নিকুমণি মিলি, চিকিৎসা কৰ্মী ক্ৰমে নিত্যানন্দ পেগু, ৰঘুকৃষ্ণ পেগু, প্ৰশান্ত চুতীয়া, নাৰ্চ বন্তি পেগু আৰু হেমা দেউৰীকে আদি কৰি ১৪ গৰাকী স্বাস্থ্যকৰ্মীৰ দলে ৰাইজক স্বাস্থ্য সেৱা আগবঢ়ায়। চিকাৰী মিচিং বালিপত্তি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ গাম আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ সু-পৰিচালনাত এই সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন হয়। উল্লেখ্য যে, উজনি মাজুলীৰ নদীকাষৰীয়া এই পিছপৰা জনজাতীয় অঞ্চলটোত মহাবিদ্যালয়খনে গ্ৰহণ কৰা এই ব্যৱস্থাক সকলোৱে ভূয়সী প্ৰশংসা কৰিছে। শিবিৰত সোণোৱাল কছাৰী, লাচন গাঁও আৰু চিকাৰী মিচিং গাঁৱৰ প্ৰায় দেৰ শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে তেওঁলোকক বিনামূলীয়াকৈ প্ৰয়োজনীয় ঔষধ-পাতি যোগান ধৰা হয়। মহাবিদ্যালয়খনৰ এনে কল্যাণমূলক আৰু সামাজিক পদক্ষেপক স্থানীয় ৰাইজে বিশেষভাৱে শলাগ লৈছে।

বাৰ্ষিক বৰসবাহ সম্পন্ন; দানবীৰ ৰজা হৰিশ্চন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন

# নামনি মাজুলীৰ অভয়পুৰ গাঁৱৰ নৱনিৰ্মিত নামঘৰ, ৰাঙলী চ'ৰা উদ্বোধন

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ জুলাই ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বালিচাপৰিৰ সমীপৰ অভয়পুৰ গাঁৱৰ নৱনিৰ্মিত নামঘৰ, ৰাঙলী চ'ৰা আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে বাৰ্ষিক বৰসবাহ আৰু ৰাতিলৈ ভাওনা প্ৰদৰ্শন কৰা হয়। এই উপলক্ষে গাঁৱখনত আজি এক আধ্যাত্মিক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ ৰাইজে আগবঢ়োৱা দান বৰঙনিৰে নিৰ্মাণ কৰা সু-দৃশ্য নামঘৰ ভাগি আজি পুৱা আনুষ্ঠানিকভাৱে ফিতা কাটি উদ্বোধন কৰে অসম সত্ৰ মহাসভাৰ মাজুলী জিলা সমিতিৰ সভাপতি তথা মাজুলী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ সত্যজিৎ মহন্তই। আজি পুৱা ন'বজাত ডবা, শংখ, বৰতাল, আয়তীৰ উৰুলি আৰু হৰিধ্বনিৰ মাজেৰে সত্ৰাধিকাৰ সত্যজিৎ মহন্তই উক্ত নৱ নিৰ্মিত নামঘৰ উদ্বোধন কৰে। লগতে, উক্ত নামঘৰৰ সন্মুখত মাজুলীৰ সু সন্তান, অসম চৰকাৰৰ প্ৰাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ সঞ্চালক, বৰ্তমান গুৱাহাটীৰ বাসিন্দা ক্ষুদিৰাম হাজৰিকাৰ বৃহৎ দানেৰে নিৰ্মাণ কৰা নৱ নিৰ্মিত ৰাঙলী চ'ৰাটোও আজি সত্ৰাধিকাৰ সত্যজিৎ মহন্তই শুভ উদ্বোধন কৰে। যুৱ সমাজকৰ্মী তথা অভয়পুৰ গাঁৱৰ বৈষ্ণৱ অজিত ভূঞাই আঁত ধৰা উক্ত উদ্বোধনী অনুষ্ঠানতে অভয়পুৰ গাঁৱৰ নৱনিৰ্মিত নামঘৰত নিৰ্মাণ কৰা নাম সিংহভাগ (দাতা-সংগীতা বৰা আৰু দিগন্ত দত্ত, পকাজৰা) উন্মোচন কৰে মাজুলী বৰএলেঙি সত্ৰৰ সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে। উক্ত, উদ্বোধনী অনুষ্ঠানতে নৱনিৰ্মিত নামঘৰত নিৰ্মাণ কৰা বাসুকীভাগ (দাতা - গুণেশ্বৰ গায়ন, বালিচাপৰি) উন্মোচন কৰে নতুন কমলাবাৰী সত্ৰৰ বৈষ্ণৱ প্ৰফুল্ল বৰাই। নামঘৰৰ সন্মুখত নিৰ্মাণ কৰা গায়ন মূৰ্তি ভাগ (দাতা - কৃষ্ণ বৰাৰ স্মৃতিত - চম্পা বৰা, অভয়পুৰ) উন্মোচন কৰে, চন্দন গোস্বামীয়ে। বায়ন মূৰ্তিভাগ (দাতা - পুণ্যধৰ শইকীয়া, অভয়পুৰ) উন্মোচন কৰে প্ৰফুল্ল গায়নে। জয় বিজয় মূৰ্তি ভাগ ( দাতা - লক্ষ্যজিত বৰা, অভয়পুৰ) উন্মোচন কৰে নামাচাৰ্য বুবুল বৰুৱাই। নামঘৰত নিৰ্মাণ কৰা গৰুড় মূৰ্তি ভাগ (দাতা - গোলাপ বৰুৱা, বালিচাপৰি), উন্মোচন কৰে কৃষ্ণৰাম বায়নে। হনুমন্ত বিগ্ৰহভাগ (দাতা, শৰৎ ৰাজখোৱা, অভয়পুৰ) উন্মোচন কৰে বৰ নামলগোৱা ভোগমন বৰুৱাই। উক্ত, অনুষ্ঠানৰ পাছতে বাৰ্ষিক বৰসবাহ উপলক্ষে প্ৰসঙ্গীয়া নাম আৰম্ভ হয়। নৱ নিৰ্মিত নামঘৰত নামাচাৰ্য বুবুল বৰুৱাৰ পৰিচালনাত অনুষ্ঠিত হোৱা উক্ত প্ৰসঙ্গীয়া নামত সমীপৰ শতাধিক বৈষ্ণৱে অংশগ্ৰহণ কৰে। দুপৰীয়া বাৰ বজাৰ পৰা বাৰ্ষিক বৰসবাহ আৰম্ভ হয়। উক্ত, বাৰ্ষিক বৰসবাহ উপলক্ষে কেইবাশতাধিক ভকতে দীৰ্ঘ সময় ধৰি বৰদিহা, বৃন্দাবনীয়া নাম, সৰুদিহা, সত্ৰীয়া দিহা, ঘৰফলীয়া দিহা পৰিৱেশন কৰি আকাশ বতাহ মুখৰিত কৰি তোলে। বিয়লি চাৰি বজাত নামৰ শেষত সম্বৰ্ধনা অনুষ্ঠান ৰূপায়ণ কৰা হয়। উক্ত, সম্বৰ্ধনা অনুষ্ঠানত নৱ নিৰ্মিত নামঘৰৰ সকলো দাতা, বৰবায়ন কৃষ্ণৰাম বৰা, বৰ নামলগোৱা ভোগমন বৰুৱা আৰু ভাস্কৰ্য শিল্পী ৰঞ্জিত হাজৰিকাক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। বিয়লি নামৰ শেষত পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণ আৰু আশীৰ্বাদ প্ৰদানে বৰসবাহৰ সামৰণী পৰে। উক্ত, আশীৰ্বাদ প্ৰদানত অসমৰ বন্যাৰ্তসকলৰ বাবে প্ৰাৰ্থনা কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু সন্ধ্যা প্ৰসঙ্গৰ পাছত বিখ্যাত সাংস্কৃতিক গোষ্ঠী "সিন্ধুৰা শিল্পী সমাজে" দানবীৰ ৰজা হৰিশ্চন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন কৰে। অভয়পুৰ গাঁৱৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষ্যজিত বৰাই সেৱকী হিচাপে আগবঢ়োৱা ভাওনাখন উদ্বোধন কৰে দিহানামৰ প্ৰসিদ্ধ শিল্পী তথা শিক্ষাগুৰু যতীন বৰাই। উক্ত ভাওনাখনত শিল্পী সকলে সুন্দৰ অভিনয় কৰি দৰ্শকক আপ্লুত কৰে। উক্ত, নামঘৰ উদ্বোধনী অনুষ্ঠান, বাৰ্ষিক বৰসবাহ আৰু ভাওনা সুকলমে অনুষ্ঠিত কৰাৰ বাবে সংশ্লিষ্ট সকলোকে অভয়পুৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষ্যজিত বৰা আৰু সম্পাদক ৰূপম ভূঞাই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

# দেশভক্ত তৰুণৰাম ফুকনৰ পৱিত্ৰ মৃত্যু তিথি উপলক্ষে দৰং জিলা প্ৰশাসনৰ দেশভক্তি দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মঙলদৈ, ৩০ জুলাই ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগ, দৰঙৰ সহযোগত মঙলবাৰে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অসমৰ বিশিষ্ট স্বাধীনতা সংগ্ৰামী, দেশপ্ৰেমিক, সমাজ সংস্কাৰক তথা জননেতা দেশভক্ত তৰুণৰাম ফুকনৰ পৱিত্ৰ মৃত্যু তিথি উপলক্ষে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত দেশভক্তি দিৱস উদ্যাপন কৰা হয়। জিলা আয়ুক্ত আয়ুষী জৈনৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, জ্যেষ্ঠ চিকিৎসক তথা সমাজসেৱক ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱ, জ্যেষ্ঠ সাংবাদিক তথা সমাজসেৱক ভাৰ্গৱ দাস, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা আৰু মঙলদৈ ইউথ ক্লাবৰ সভাপতি গিৰীশ ডেকা উপস্থিত থাকে। ইয়াৰ উপৰি জিলা প্ৰশাসনৰ জ্যেষ্ঠ আৰু কনিষ্ঠ বিষয়াবৰ্গ, বিভিন্ন বিভাগৰ কৰ্মচাৰী, বিশিষ্ট ব্যক্তি তথা সমাজৰ বিভিন্ন স্তৰৰ বহু লোক অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে জিলা আয়ুক্ত, আমন্ত্ৰিত অতিথিসকল আৰু উপস্থিত বিষয়ববীয়াসকলে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণৰ জৰিয়তে মহান দেশপ্ৰেমিকগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানৰ প্ৰাৰম্ভিক ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত আয়ুষী জৈনে দেশভক্ত তৰুণৰাম ফুকনৰ দেশপ্ৰেম, ত্যাগ, সুদূৰপ্ৰসাৰী নেতৃত্ব আৰু জাতি গঠনত আগবঢ়োৱা অনন্য অৱদানৰ বিষয়ে আলোকপাত কৰি তেওঁৰ আদৰ্শৰ পৰা অনুপ্ৰেৰণা গ্ৰহণ কৰি সমাজ আৰু দেশৰ প্ৰতি দায়িত্বশীল নাগৰিক হিচাপে নিজকে গঢ়ি তুলিবলৈ সকলোকে আহ্বান জনায়। ইয়াৰ পিছত বিশিষ্ট সাহিত্যিক তথা সমাজসেৱক ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱে প্ৰদান কৰা তেওঁৰ তাৎপৰ্যপূৰ্ণ চমু ভাষণত সকলোকে সময় সাপেক্ষে সমাজ হিতৈষী আৰু কেতিয়াবা সমাজবিৰোধী হিচাপে নিজকে প্ৰতিফলিত কৰা দুমুখীয়া স্থিতি ত্যাগ কৰি আমি প্ৰকৃততে সমাজৰ বাবে কি কৰিব পাৰিছো বুলি নিজক প্ৰশ্ন কৰাৰ সময় আহি গৈছে বুলি মন্তব্য কৰে। জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ দাসে তেওঁৰ তথ্যসমৃদ্ধ ভাষণ প্ৰদান কৰি দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ বহু নতুন কথাৰে অনুষ্ঠানৰ ফলপ্ৰসূতা বৃদ্ধি কৰে। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনাদৰ্শ, দেশপ্ৰেম আৰু বৰ্তমান সময়ত তেওঁৰ আদৰ্শৰ প্ৰাসংগিকতাৰ ওপৰত বিশদভাৱে আলোকপাত কৰি এনে অনুষ্ঠান তৃণমূল পৰ্যায়লৈ সম্প্ৰসাৰিত কৰি ব্যাপক জনসচেতনতা সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে প্ৰতিজন নাগৰিকক সমাজ কল্যাণ আৰু ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত নিজৰ দায়িত্ব সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত সমবেত সংগীতৰ লগতে একক সংগীতৰ কাৰ্যসূচীও সন্নিৱিষ্ট কৰা হৈছিল আৰু ই অনুষ্ঠানটোক অধিক সজীৱ আৰু মনোগ্ৰাহী কৰি তোলে।

# মঙলদৈ নদীত গা ধুবলৈ গৈ দুজন যুৱকৰ মৃত্যু

**অসম বাৰ্তা, মঙলদৈ, ৩০ জুলাই ঃ** দৰঙৰ মঙলদৈৰ ৫ নং ৱাৰ্ডত মঙলদৈ নদীত গা ধুবলৈ গৈ দুজন ছাত্ৰৰ সলিল সমাধি ঘটে। জানিব পৰা মতে প্ৰতিদিনাৰ দৰে আজিও ঋত্বিক মণ্ডল আৰু সঞ্জীৱ মণ্ডল নামৰ দুই ছাত্ৰই একেলগে গা ধুৱলৈ নদীৰ ঘাটলৈ গৈ ঘাটত কাপোৰ চেন্দেল ৰাখি পানীত নামে বৰ্তমান সময়ত নদীৰ গভীৰতাত যথেষ্ট সোত থকাৰ ফলত ছাত্ৰ দুজনক নদীৰ সোতে উটুৱাইলৈ যায়। ঘটনাস্থলীত উপস্থিত হৈ SDRF ৰ লোকে প্ৰায় দুঘণ্টা সময় বিচৰাৰ পিছত প্ৰথমে ঋত্বিক মণ্ডলৰ মৃতদেহ উদ্ধাৰ কৰে তাৰ কেইঘণ্টামান পিছতেই সঞ্জীৱ মণ্ডলৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় SDRF ৰ লোকে। ঘটনাস্থলীত উপস্থিত মঙলদৈ সদৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখে। এই ঘটনাৰ পিছতেই সমগ্ৰ অঞ্চলটোত শোকৰ পৰে।

# হেঙুল হাইতালৰ উদ্যোগত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ শৈলীত ১০ দিনীয়া গ্ৰীষ্মকালীন বিশেষ অভিনয় কৰ্মশালা সফল সামৰণি

**অসম বাৰ্তা, ৰহা, ৩০ জুলাই ঃ** ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহ আজি হেঙুল হাইতালৰ উদ্যোগত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ শৈলীত ১০ দিনীয়া গ্ৰীষ্মকালীন বিশেষ অভিনয় কৰ্মশালা সফল সামৰণি পৰে উক্ত কৰ্মশালাখনৰ সামৰণি অনুষ্ঠানত হিয়াৰ আমঠু জুবিন গাৰ্গ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ৰহা অঞ্চলৰ সামাজিক ক্ষেত্ৰত এজন আগৰণুৱা জ্যেষ্ঠ ব্যক্তি মহেন্দ্ৰ কলিতাই। সামৰণি অনুষ্ঠান টি আত ধৰে হেঙুল হাইতালৰ সম্পাদক সঞ্জয় জ্যোতি বৰাই। ইয়াৰ উপৰিও হেঙুল হাইতালৰ সভাপতি মৃদুল হাজৰিকা, উপসভাপতি দ্বীপজ্যোতি কাকতি, নাট্যকাৰ চন্দনজ্যোতি ভূঞা, লগতে মুখ্য প্ৰশিক্ষক চনিয়া ভৰদ্বাজ ৰত্না দে আৰু হেঙুল হাইতালৰ সমূহ সদস্য উপস্থিত থাকে। আজি অনুষ্ঠানত বিভিন্ন গীতৰ নৃত্যৰ সমাহাৰে শিক্ষাৰ্থী সকলে দুখন কৈ নাটক কৰি ৰাইজৰ সমাদাৰ লাভ কৰিবলৈ সক্ষম হয়। হেঙুল হাইতালৰ প্ৰদক্ষেপ সকলোৱে ধন্যবাদ জ্ঞাপন কৰে।

অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ জোৰদাৰ দাবী

# শিৱসাগৰৰ বানাক্ৰান্ত ৰাইজৰ মাজত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম আৰু বিশ্ব হিন্দু মহাসংঘৰ যৌথ সাহায্য বিতৰণ

**অসম বাৰ্তা, উজনী মাজুলী, ৩০ জুলাই ঃ** অসমত বাৰে বাৰে সংঘটিত হৈ অহা ভয়ংকৰ বানপানীৰ ফলত ৰাজ্যখনৰ ৰাইজে ভুগি অহা দুৰ্দশাক লাঘৱ কৰাৰ মানসেৰে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম আৰু বিশ্ব হিন্দু মহাসংঘ, অসমৰ যৌথ উদ্যোগত আজি শিৱসাগৰ জিলাৰ বানাক্ৰান্ত অঞ্চলত এক সাহায্য অভিযান ৰূপায়ণ কৰে। বিশ্ব হিন্দু মহাসংঘ, অসমৰ ৰাজ্যিক সভাপতি তথা মাজুলী শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী আৰু হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মাধৱ দাসৰ নেতৃত্বত লখিমপুৰ, তিনিচুকীয়া আৰু মাজুলী জিলাৰ কৰ্মকৰ্তাসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে শিৱসাগৰ বেটবাৰী দ-গাঁও, মাউট গাঁও, নপাম আদি বানপীড়িত অঞ্চলত বস্ত্ৰ, খাদ্য সামগ্ৰী, খোৱা পানী, ফেনাইল, চাবোন, মহমৰা ধূপ, জুছ, বিস্কুট আৰু গাখীৰ আদি অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। দিনৰ ১২ বজাৰ পৰা নিশা ১০ বজালৈকে চলা এই সেৱা কাৰ্যসূচীৰ জৰিয়তে শতাধিক বানপীড়িত পৰিয়াল উপকৃত হয়। এই উপলক্ষে জাৰি কৰা এক যুটীয়া বিবৃতিত নেতাদ্বয়ে কয় যে, প্ৰতি বছৰে বানপানীয়ে অসমৰ অৰ্থনীতি, জনজীৱন আৰু আন্তঃগাঁথনি বিধ্বস্ত কৰি কেইবা বছৰো পিছুৱাই নিয়ে। তথাপিও ইয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়া হোৱা নাই, যি অত্যন্ত দুৰ্ভাগ্যজনক। গতিকে কেন্দ্ৰীয় চৰকাৰক অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি ইয়াৰ স্থায়ী সমাধানৰ বাবে এখন উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰিবলৈ তেওঁলোকে দাবী জনায়। বিবৃতিখনত নেতাদ্বয়ে লগতে কয়, নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় নেতৃত্বই অসমলৈ যি ক্ষিপ্ৰতাৰে আহে, ঠিক তেনেদৰে এই প্ৰাকৃতিক দুৰ্যোগৰ সময়তো মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেৱ আৰু গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহি বানপীড়িত ৰাইজক সান্ত্বনা আৰু অভয় প্ৰদান কৰিব লাগে বুলি দাস আৰু গোস্বামীয়ে মন্তব্য কৰে। বানত প্ৰাণ হেৰুৱা প্ৰতিগৰাকী লোকৰ পৰিয়ালক উপযুক্ত আৰ্থিক সাহায্যৰ লগতে একোজনক চৰকাৰী চাকৰি প্ৰদান কৰিবলৈও সংগঠন দুটাই চৰকাৰক অনুৰোধ জনায়।

বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাৰ খহনীয়াস্থলী পৰিদৰ্শন

# ৰৌমাৰী পাথাৰৰ তীব্ৰ গৰাখহনীয়াত আতংকিত দৌলাশালবাসী

**অসম বাৰ্তা, দৌলাশাল, ৩০ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰৌমাৰী পাথাৰত অব্যাহত থকা ব্ৰহ্মপুত্ৰ নৈৰ তীব্ৰ গৰাখহনীয়াই আংতকিত কৰি ৰাখিছে নলবাৰীৰ দৌলাশালবাসীক। উজনি অসমৰ প্ৰলয়ংকাৰী বানে শিৱসাগৰ, যোৰহাট, চৰাইদেউ, নাজিৰা আদি অঞ্চলত হাজাৰ হাজাৰ পৰিয়ালত চলোৱা ধ্বংসলীলাৰ কৰুণ দৃশ্যই অসমবাসীক কন্দুৱাই ৰখাৰ সময়ত আন এক দুঃস্বপ্নই খেদি ফুৰিছে দৌলাশালবাসীক। বিগত এমাহ ধৰি চেঙাৰ ৰৌমাৰী পাথাৰত গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰাত নলবাৰী জিলাৰ দৌলাশালবাসীয়ে গভীৰ চিন্তাৰে দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। মহাবাহু ব্ৰহ্মপুত্ৰই অসমৰ মানচিত্ৰৰ পৰা ৰৌমাৰী পাথাৰ গাঁৱক ইতিমধ্যে প্ৰায় নিশ্চিহ্ন কৰি এইবাৰ নলবাৰী জিলাৰ দৌলাশাল গাঁৱলৈ কঢ়িয়াই আনিছে চৰম ভাবুকি। গৰাখহনীয়াই ৰৌমাৰী পাথাৰ গাঁৱক ধবংসস্তুপত পৰিণত কৰি দৌলাশাল গাঁৱৰ দাঁতিতে অৱস্থান কৰিছে ব্ৰহ্মপুত্ৰ নৈ। ইতিমধ্যেই দৌলাশাল গাঁৱৰ কেইবাটাও পৰিয়ালৰ কৃষিভূমি নৈৰ বুকুত জাহ গৈছে। দৌলাশাল গাঁৱৰ দক্ষিণ দিশৰ জলসম্পদ বিভাগৰ মথাউৰিলৈকে কালৰূপ ধাৰণ কৰি আহিছে ব্ৰহ্মপুত্ৰই। প্ৰতিদিনাই হোৱাহোৱে গৰা খহি ভয়ংকৰ ৰূপ ধাৰণ কৰাত আংতকিত হৈ পৰিছে দৌলাশাল গাঁওবাসী। আজি খহনীয়াস্থলীত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা উপস্থিত হৈ খহনীয়া পৰিদৰ্শন কৰে। নলবাৰী জিলাৰ দৌলাশাল গাঁৱলৈ ভাবুকি কঢ়িয়াই অনা খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে বিধায়ক নাৰায়ণ ডেকাই ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাইজক আশ্বাস দিয়ে। বিধায়ক নাৰায়ণ ডেকাই জলসম্পদ বিভাগৰ নলবাৰীৰ কাৰ্যবাহী অভিযন্তা নিকুঞ্জ শৰ্মা, বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথ, জলসম্পদ বিভাগৰ মুকালমুৱাৰ উপ সংমণ্ডল বিষয়া বিদ্যুৎ বিকাশ তালুকদাৰকে ধৰি বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক লগত লৈ ৰৌমাৰী পাথাৰৰ খহনীয়াস্থলী পৰিদৰ্শন কৰি ৰাইজৰ দুখ-দুৰ্দশাৰ বিষয়ে বুজ লয়। বিধায়ক নাৰায়ণ ডেকাই খহনীয়াস্থলীত সংবাদ মাধ্যমক সম্বোধন কৰি - যিকোনো উপায়েৰে জলসম্পদ বিভাগৰ মথাউৰিটো প্ৰতিৰোধ কৰিব বুলি মন্তব্য কৰে। ইতিমধ্যেই খহনীয়াৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰাইছে বুলিও মন্তব্য কৰে নাৰায়ণ ডেকাই। বাৰিষা হোৱাহেঁতুকে খহনীয়া প্ৰতিৰোধ কৰিব পৰা সুবিধা নাই যদিও সাময়িকভাৱে সকাহ দিয়াৰ ব্যৱস্থা কৰা হ'ব আৰু খৰালিকালত মথাউৰিটো স্থায়ীভাৱে প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে বিধায়ক নাৰায়ণ ডেকাই। খহনীয়াস্থলী পৰিদৰ্শন কৰাৰ পাছত দৌলাশালস্থিত জলসম্পদ বিভাগৰ পৰিদৰ্শন বঙলাত ৰাইজৰ স'তে মত বিনিময় কৰে বিধায়ক নাৰায়ণ ডেকাই। দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ণ বৰ্মন আৰু সম্পাদক হৰেশ্বৰ নাথে খহনীয়া প্ৰতিৰোধকে ধৰি দৌলাশাল গাঁৱৰ বিভিন্ন সমস্যা সমাধানৰ বাবে বিধায়কগৰাকীৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। আনহাতে চেঙা বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদেও বিধায়ক নাৰায়ণ ডেকাক ৰৌমাৰী পাথাৰ গাঁৱৰ গৰাখহনীয়া সন্দৰ্ভত অৱগত কৰায় আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে গৰাখহনীয়াই ৰুদ্ৰমূৰ্তি ধাৰণ কৰি অহাত কালি দৌলাশাল গাঁৱৰ একাংশ মহিলাই নৈৰ পাৰত পূজা- অৰ্চনাৰে ব্ৰহ্মপুত্ৰক শান্ত কৰাৰ চেষ্টা চলাইছিল। বৃহত্তৰ দৌলাশাল গাঁৱৰ চৌধুৰীপাৰা চুবুৰীৰ গোপালথান আয়তী নামতী দলটোৰ উদ্যোগত নৈৰ পাৰত নামতি দলটিয়ে নাম-প্ৰসংগ অনুষ্ঠিত কৰি নৈখনক শান্ত হ'বলৈ প্ৰাৰ্থনা জনাইছিল। মন কৰিবলগীয়া যে নৈৰ গৰাখহনীয়া এনেদৰেই অব্যাহত থাকিলে জলসম্পদ বিভাগৰ মথাউৰি ছিঙি যিকোনো মুহূৰ্ততে নৈৰ পানীয়ে বুৰাই পেলাব পাৰে নলবাৰী জিলাৰ বিস্তীৰ্ণ অঞ্চল। ইতিমধ্যেই বিগত এমাহত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই ৰৌমাৰী পাথাৰ গাঁও প্ৰায় নিশ্চিহ্ন কৰি পেলাইছে।

# অসম সাহিত্য সভাৰ প্ৰধানমন্ত্ৰীক বান পৰিস্থিতি প্ৰত্যক্ষ কৰিবৰ বাবে অসম ভ্ৰমণৰ কাৰণে আহ্বান

## অসমৰ বান সমস্যা, 'ৰাষ্ট্ৰীয় দুৰ্যোগ' ঘোষণা কৰাৰ দাবী

**অসম বাৰ্তা, নুমলীগড়, ৩০ জুলাই ঃ** উজনি অসমৰ শেহতীয়া ভয়াবহ বান পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ বাবে আনুষ্ঠানিকভাৱে আহ্বান জনাইছে অসম সাহিত্য সভাই। বৃহস্পতিবাৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে প্ৰধানমন্ত্ৰীলৈ এখন বিশদ আবেদনপত্ৰ প্ৰেৰণ কৰি এই আহ্বান জনোৱাৰ লগতে উজনি অসমৰ এই ভয়াৱহ বান পৰিস্থিতিক 'ৰাষ্ট্ৰীয় দুৰ্যোগ' হিচাপে ঘোষণা কৰাৰ দাবীও উত্থাপন কৰিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা আবেদনপত্ৰখনত উল্লেখ কৰা হৈছে যে, অসমৰ উজনি অঞ্চলত সংঘটিত শেহতীয়া বানৰ ফলত হাজাৰ হাজাৰ পৰিয়াল চূড়ান্ত দুৰ্দশাৰ মাজেৰে দিন কটাই আছে। বহু লোকে নিজৰ ঘৰ-বাৰী, কৃষিভূমি, জীৱিকা আৰু সা-সম্পত্তি হেৰুৱাই আশ্ৰয় শিবিৰ অথবা অস্থায়ী বাসস্থানত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। বহু গাঁও এতিয়াও পানীৰ তলত থকাৰ লগতে যিবোৰ অঞ্চলৰ পৰা বানপানী নামিবলৈ আৰম্ভ কৰিছে, তাতো স্বাভাৱিক জীৱনযাত্ৰা এতিয়াও ঘূৰি অহা নাই। আবেদনপত্ৰত উল্লেখ কৰা অনুসৰি, এই পুনঃপুনঃ হোৱা বানৰ ফলত কেৱল জনজীৱনেই নহয়, কৃষিভূমি, শিক্ষানুষ্ঠান, পথ-দলং, ৰাজহুৱা আন্তঃগাঁথনি আৰু অঞ্চলটোৰ মূল্যৱান সাংস্কৃতিক ঐতিহ্যও ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হৈছে। বহু পৰিয়াল এতিয়াও বিশুদ্ধ খোৱাপানী, খাদ্য, স্বাস্থ্যসেৱা আৰু নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত অমানৱীয় জীৱন কটাবলগীয়া হৈছে। অসম সাহিত্য সভাই মত প্ৰকাশ কৰিছে যে, এনে কঠিন সময়ত দেশৰ প্ৰধানমন্ত্ৰীৰ ব্যক্তিগতভাৱে বানাক্ৰান্ত অঞ্চল পৰিদৰ্শনে ক্ষতিগ্ৰস্ত লোকসকলৰ মনোবল যথেষ্ট বৃদ্ধি কৰিব। লগতে সমগ্ৰ দেশ অসমৰ দুৰ্দশাগ্ৰস্ত জনসাধাৰণৰ কাষত থকাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ হ'ব। ইয়াৰ ফলত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উদ্ধাৰ, সাহায্য, পুনৰসংস্থাপন আৰু দীৰ্ঘম্যাদী বান নিয়ন্ত্ৰণ ব্যৱস্থাক অধিক গতি প্ৰদান কৰাতো সহায়ক হ'ব বুলি সভাই আশা প্ৰকাশ কৰিছে। আবেদনপত্ৰত আৰু উল্লেখ কৰা হৈছে যে, অসমৰ জনসাধাৰণে সদায় জাতীয় ঐক্য, ভ্ৰাতৃত্ববোধ আৰু দেশৰ সামূহিক উন্নয়নৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰদৰ্শন কৰি আহিছে। সেয়েহে এনে সংকটৰ সময়ত প্ৰধানমন্ত্ৰীৰ সহানুভূতিশীল উপস্থিতিয়ে কেৱল বানাক্ৰান্ত লোকসকলক মানসিক শক্তিয়েই নিদিয়ে, বৰং পুনৰ গঢ়ি তোলাৰ যুঁজত নতুন আত্মবিশ্বাসো যোগাব। অসম সাহিত্য সভাই লগতে উজনি অসমৰ এই ভয়াৱহ বান পৰিস্থিতিক 'ৰাষ্ট্ৰীয় দুৰ্যোগ' হিচাপে ঘোষণা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। আবেদনপত্ৰত উল্লেখ কৰা অনুসৰি, এই বানত এতিয়ালৈকে ৭৫ জনতকৈ অধিক লোকৰ মৃতদেহ উদ্ধাৰ হৈছে আৰু শতাধিক লোক এতিয়াও সন্ধানহীন হৈ আছে। এনে পৰিস্থিতিত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰ্নিৰ্মাণ, বান নিয়ন্ত্ৰণ আৰু পুনৰসংস্থাপনৰ বাবে বিশেষ কেন্দ্ৰীয় পেকেজ ঘোষণা কৰাৰো দাবী জনোৱা হৈছে। আবেদনপত্ৰৰ অন্তত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আশা প্ৰকাশ কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আবেদনক আন্তৰিকতাৰে বিবেচনা কৰি অতি শীঘ্ৰে উজনি অসমৰ বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু ক্ষতিগ্ৰস্ত জনসাধাৰণৰ দুখ-দুৰ্দশা স্বচক্ষে পৰ্যবেক্ষণ কৰাৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন আৰু উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, এই আবেদনপত্ৰৰ প্ৰতিলিপি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈও প্ৰেৰণ কৰা হৈছে।

# ৰহা বিধানসভা সমষ্টি ভিত্তিক ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ৰহা, ৩০ জুলাই ঃ** অসম চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা সমগ্ৰ ৰাজ্যত বিধানসভা সমষ্টি ভিত্তিত গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ কৰাৰ সমান্তৰালকৈ ৰহা মজলীয়া বিদ্যালয়ত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, ৰহা সমজিলা, নগাঁও জিলা প্ৰশাসনৰ সহযোগত আৰু শিশু অনুষ্ঠান অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ পৰিচালনাত ১৬ জুলাইৰ পৰা চলি থকা ৰহা বিধানসভা সমষ্টি ভিত্তিক ১৫দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। কৰ্মশালত প্ৰশিক্ষক ৰূপে সপোন জ্যোতি ডেকা, ভাৰ্গবী মেধি, সুস্মিতা শইকীয়া উপস্থিত থাকি কণকণ শিশু আৰু যুৱক, যুৱতী সকলক মাটি আখৰা(সত্ৰিয়া নৃত্য)আৰু অভিনয়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। আজি অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ প্ৰধান সম্পাদক ৰণ্টু মুদৈয়ে আঁত ধৰা কৰ্মশালা সামৰণি অনুষ্ঠানত ৰহা সহ সমজিলাৰ সহকাৰী আয়ুক্ত প্ৰিয়ম ফুকনে কৰ্মশালাৰ উদ্বোধন কৰে আৰু অকণিৰ কবিতা ঘৰৰ কন কন অকণি সকলে শিশু প্ৰিয় তথা কবিতা ঘৰৰ প্ৰধান পৰিচালক অৰনী কুমাৰ শইকীয়াই দ্বাৰা ৰচিত কবিতা ঘৰৰ স্থায়ী গীত ঋউদুলি মুদুলি অকণিৰ কবিতা ঘৰঋ পৰিৱেশন কৰি অনুষ্ঠান শুভাৰম্ভ কৰাৰ পাছত কবিতা ঘৰৰ কণকণ শিশু সকলে মাটি আখৰা(সত্ৰীয়া নৃত্য), অভিনয় আৰু গীত পৰিৱেশনেৰে সকলোকে আপ্লুত কৰি জীপাল কৰে। ১৫দিনীয়া কৰ্মশালা সামৰণি অনুষ্ঠানত ২৪ ঘণ্টাত ৬টা শাস্ত্ৰীয় নৃত্য কৰি Golden book of world recordত নাম সন্নিবিষ্ট কৰি গৌৰৱ কঢ়িয়াই অনা ৰহাৰ তুষ্টিমনা নাথক সম্বৰ্ধনা জনোৱা হয় আৰু ১৫ দিনে কৰ্মশালাত প্ৰশিক্ষণ লোৱা ১০০গৰাকী প্ৰশিক্ষাৰ্থীক অংশ গ্ৰহণৰ মানপত্ৰ প্ৰদান কৰা হয়। কৰ্মশালা সামৰণি অনুষ্ঠানত ৰহা সমজিলা আয়ুক্ত ড° অংকিতা বৰা, নগাঁও জিলা বিজেপি ভাৰপ্ৰাপ্ত সভাপতি সুবৰ্ণ সিং, ৰহা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি মন জ্যোতি বৰা, ৰহা পৌৰসভাৰ উপ পৌৰপতি অনিমা দাস, ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা যতীন্দ্ৰ কুমাৰ পাৰৈ, ৰহা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জুৰি বৰুৱা, অকণি কবিতা ঘৰৰ মুখ্য পৰিচালক অৰণী কুমাৰ শইকীয়া, উপদেষ্টা মহেশ্বৰ দাস, শিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিমল ডেকা, ৰহা আঞ্চলিক অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা হৰি প্ৰসাদ ৰাজখোৱা, সমাজকৰ্মী তথা কবিতা ঘৰৰ যুৱ জ্যোতি উপাধি প্ৰাপক মৃদুল হাজৰিকা, কবিতা ঘৰৰ উপদেষ্টা মহেন্দ্ৰ কলিতা, ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি দীপক কুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক পংকজ বৰা, ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি ৰমেশ নাথ, ৰহা শাখা সাহিত্য সভাৰ সম্পাদক, সুলেখক লক্ষ্মী প্ৰসাদ ডেকা, ৰহা জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ প্ৰাক্তন সম্পাদক লোকনাথ দাস, ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ সভাপতি ৰমেশ নাথ, সাংবাদিক পলাশ হাজৰিকা, অসীম চেত্ৰী, দীপক দাস, ফুনু শৰ্মা, নৱ জ্যোতি ভূএগ্ৰা, সঞ্জীৱ দাস, মৃনাল তামোলী, অকণি কবিতা ঘৰ অসম ৰহাৰ প্ৰচাৰ সম্পাদক চয়েল খেতান, অকণি কবিতা ঘৰ অসমৰ মাটি আখৰা তথা সত্ৰীয়া নৃত্যৰ পৰিচালক ফুকন ডেকা, গীতৰ পৰিচালক সাবিত্ৰী শইকীয়া দাস, ৰজনী বৰা, ৰিতু দাস, ৰিপুঞ্জয় মেধি, জয়ন্ত দাস, ৰাজেশ নন্দী, ৰুবুল দাস, ৰহা আদৰ্শ শিশু বিকাশ কেন্দ্ৰৰ প্ৰধান শিক্ষয়িত্ৰী চয়নিকা ডেকা সহ কবিতা ঘৰৰ প্ৰতিনিধি, শিক্ষক, শিক্ষয়িত্ৰী সহ বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু কবিতা ঘৰৰ সদস্য সদস্যা সকলৰ উপৰিও ছাত্ৰ ছাত্ৰী আৰু প্ৰশিক্ষাৰ্থী সকল উপস্থিত থাকে।

এন আৰ এল নগৰাঞ্চলৰ প্ৰৱেশদ্বাৰ বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত ছাত্ৰ সংস্থাৰ সদস্যৰ

# বান সাহায্য সংগ্ৰহক কেন্দ্ৰ কৰি নুমলীগড়ত উত্তপ্ত পৰিস্থিতি

## অনা অসমীয়া ব্যৱসায়িৰ ছাত্ৰ সংস্থাৰ সদস্যক অপদস্থ কৰাৰ অভিযোগ

**অসম বাৰ্তা, নুমলীগড়, ৩০ জুলাই ঃ** অসমৰ অস্তিত্ব ৰক্ষাৰ ব্যাপক আন্দোলনৰ পৰিপ্ৰেক্ষিতত প্ৰতিষ্ঠা লাভ কৰা নুমলীগড় শোধনাগাৰ নগৰাঞ্চলত এজন অনা অসমীয়া ব্যৱসায়ীৰ হাতত ছাত্ৰ সংস্থাৰ সদস্য অপদস্থ হ'বলগীয়া এটা বিষয়ত নুমলীগড়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। চলিত বান দুৰ্যোগৰ বাবে বানাক্ৰান্ত লোকসকলৰ কাৰণে জাতীয় সংগঠনটিৰ সদস্য সকলে সাহায্য সংগ্ৰহ কৰিবলৈ যোৱা এটি বিষয়ক কেন্দ্ৰ কৰি বুধবাৰে নুমলীগড় তেল শোধনাগাৰ (এন আৰ এল) নগৰাঞ্চলৰ প্ৰৱেশ পথত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ প্ৰতিবাদত ছাত্ৰ সংগঠনৰ সদস্যসকলে কিছু সময়ৰ বাবে নগৰাঞ্চলৰ মূল প্ৰৱেশদ্বাৰৰ গেট বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ফলত কিছু সময়ৰ বাবে অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, বান সাহায্য সংগ্ৰহ অভিযানৰ অংশ হিচাপে ছাত্ৰ সংগঠনৰ এটি সদস্য দলে এন আৰ এল নগৰাঞ্চলত থকা দি এচ স্মাৰ্ট নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ সাহায্য বিচাৰি যায়। ছাত্ৰ সংস্থাৰ সদস্য সকলে প্ৰকাশ কৰা মতে সেই সময়ত ডি এছ স্মাৰ্ট (DS Smart) নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ১, ২০০ টকাৰ সামগ্ৰী প্ৰদান কৰা হয় আৰু সেই অনুসৰি ৰচিদ (ৰিচিপ্ট) কাটি দিয়া হয়। কিন্তু অভিযোগ কৰা হৈছে যে, সাহায্য সামগ্ৰী প্ৰদান কৰাৰ পিছতে প্ৰতিষ্ঠানটোৰ সৈতে জড়িত অনা অসমীয়া ব্যৱসায়ী ৰণদ্বীপ দাসে এন আৰ এলৰ প্ৰৱেশদ্বাৰত নিয়োজিত নিৰাপত্তাৰক্ষীক ফোন যোগে অভিযোগ কৰে আৰু সাহায্য সামগ্ৰীসমূহ পৰীক্ষা কৰিবলৈ জনায়। এই ঘটনাক ছাত্ৰ সংগঠনৰ সদস্যসকলে তেওঁলোকৰ সততা আৰু সামাজিক সেৱামূলক কাৰ্যসূচীৰ ওপৰত সন্দেহ প্ৰকাশ কৰা বুলি অভিযোগ উত্থাপন কৰে। এই ঘটনাক কেন্দ্ৰ কৰি ক্ষুব্ধ হৈ পৰে ছাত্ৰ সংগঠনৰ সদস্যসকল। তেওঁলোকৰ অভিযোগ, বানপীড়িত লোকসকলৰ বাবে সাহায্য সংগ্ৰহ কৰিবলৈ যোৱা স্বেচ্ছাসেৱক সকলক কোনো ভিত্তি নথকা অভিযোগেৰে অপমান আৰু হেয় প্ৰতিপন্ন কৰা হৈছে। এনে ব্যৱহাৰ কেৱল সংগঠনটোৰ প্ৰতি নহয়, সমগ্ৰ অসমীয়া সমাজৰ প্ৰতি অসম্মানজনক বুলিও তেওঁলোকে মন্তব্য কৰে। পৰিস্থিতি ক্ৰমাৎ উত্তপ্ত হৈ উঠাত এন আৰ এলৰ বিষয়া বিশ্বজিৎ বৰাই ঘটনাস্থলীত উপস্থিত হৈ ফোন যোগে দি এচ স্মাৰ্ট নামৰ প্ৰতিষ্ঠানটোৰ ব্যৱসায়িক এনে কাৰ্য্য কৰাৰ বাবে ছাত্ৰ সংস্থাৰ সদস্য সকলৰ লগত কথা পাতিবলৈ কোৱাৰ পিছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত আৰু এনে পৰিস্থিতিৰ বাবে নগৰাঞ্চলৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি প্ৰতিবাদ কৰিব লগীয়া হোৱা পৰিৱেশৰ কাৰণে দি এচ স্মাৰ্টৰ ব্যৱসায়ি ৰণদ্বীপ দাসক ধমক দিয়াত তেওঁ VDOৰ জৰিয়তে এনে দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বাবে ক্ষমা বিচাৰে।। বিষয়টোৰ নিষ্পত্তিৰ বাবে এন আৰ এল কৰ্তৃপক্ষই হস্তক্ষেপ কৰাৰ পিছত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। ছাত্ৰ সংগঠনৰ অভিযোগ অনুসৰি, এন আৰ এল কৰ্তৃপক্ষৰ উপস্থিতিত ডি এছ স্মাৰ্টৰ সৈতে জড়িত ব্যৱসায়ী ৰণদ্বীপ দাসে নিজৰ আচৰণৰ বাবে দুখ প্ৰকাশ কৰি ক্ষমা খুজিবলৈ বাধ্য হয়। ইয়াৰ পিছতেই প্ৰতিবাদকাৰীসকলে অৱৰোধ প্ৰত্যাহাৰ কৰে আৰু নগৰাঞ্চলৰ প্ৰৱেশদ্বাৰত স্বাভাৱিক যাতায়াত পুনৰ আৰম্ভ হয়। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চৰ্চাৰ সৃষ্টি হৈছে। বান দুৰ্যোগৰ দৰে এক সংকটময় সময়ত মানৱীয় সহায়-সহযোগিতাক অগ্ৰাধিকাৰ দিয়াৰ পৰিৱৰ্তে সাহায্য সংগ্ৰহকাৰী এটা জাতীয় সংগঠনৰ স্বেচ্ছাসেৱকসকলৰ ওপৰত সন্দেহ প্ৰকাশ কৰাটো দুৰ্ভাগ্যজনক বুলি বহু লোকে মত প্ৰকাশ কৰিছে।

# মাকুমত ৰীল ভিডিঅ প্ৰস্তুত কৰিবলৈ গৈয়ে পুখুৰীত ডুবি দুটি কিশোৰৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, মাকুম, ৩০ জুলাই ঃ** মাকুম আৰক্ষী থানাৰ অন্তৰ্গত মাকুম ছোটাহাপজান চাহ বাগিচাৰ ৬ নং শাখাৰ সমীপত অৱস্থিত এটা ইটা ভাটাৰ পুখুৰীত কালি সন্ধ্যা দুটি কিশোৰে পানীত ডুবি কৰুণ মৃত্যুক সাৱটি লবলগীয়া হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনা স্থলীত মাকুম সম জিলাৰ আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ, মাকুম আৰক্ষী থানাৰ পৰিদৰ্শক পুলক কুমাৰ সহ এচ ডি আৰ এফ (SDRF) বাহিনীৰ দল উপস্থিত হৈ পুখুৰীটোত অভিযান চলাই কিশোৰ দুটিক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আৰক্ষীয়ে প্ৰদান কৰা তথ্য অনুসৰি, মাকুম তৰুণ নগৰৰ ৰাজ শ্বাহ (২২) নামৰ যুৱক জনে মাকুম ছাটাপট্টী দীপ বিশ্বাস (১৫), ধলা আহোম গাঁৱৰ তন্ময় বুঢ়াগোহাঁই (১৩) লগতে আন দুটা ১৪ আৰু ১৩ বছৰীয়া কিশোৰক লগত লৈ ছোটা হাপজান বাগিচাৰ ৬নং শাখাৰ সমীপত অৱস্থিত এটা ইটা ভাটাৰ পুখুৰীত ৰিল ভিডিঅ প্ৰস্তুত কৰিবলৈ বুলি লৈ গৈছিল। ভিডিঅ' প্ৰস্তুত কৰি শেষ হোৱাৰ পিছত সকলোৱে পুখুৰীত গা ধুবলৈ নামে। সেই সময়তে তন্ময় বুঢ়াগোহাঁই আৰু দীপ বিশ্বাস পানীত ডুবি উক্ত ঘটনাটো সংঘটিত হয়। আন দুটি কিশোৰক আৰক্ষীয়ে সোধা-পোছা কৰাত ৰাজ শ্বাহ (২২) নামৰ যুৱকজন অভিযুক্ত হিচাপে প্ৰমাণিত হোৱাৰ পাছতে ৰাজ শ্বাহক আইনী গোচৰ ৰুজো কৰি জেললৈ প্ৰেৰণ কৰে।

# যমুনামুখ ষ্টেট বেংকত চৰকাৰী চলাৰ ঋণ মঞ্জুৰীক লৈ তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত আবেদন

**অসম বাৰ্তা, ডবকা, ৩০ জুলাই ঃ** হোজাই জিলাৰ যমুনামুখস্থিত ষ্টেট বেংক শাখাত চৰকাৰী চলাৰ ঋণ (Solar Loan) মঞ্জুৰি প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হৈছে। ঋণ অনুমোদন প্ৰক্ৰিয়াত চৰকাৰী নীতি-নিৰ্দেশনা আৰু বেংকৰ গাইডলাইন যথাযথভাৱে অনুসৰণ কৰা হৈছে নে নাই, সেই বিষয়ত স্পষ্ট তথ্য লাভৰ উদ্দেশ্যে তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ (RTI)ৰ অধীনত এখন আবেদন দাখিল কৰা হৈছে। জানিব পৰা মতে, আবেদনকাৰী ৰামিম আহমেদে যমুনামুখ ষ্টেট বেংকৰ শাখা পৰিচালকৰ ওচৰত দাখিল কৰা আবেদনত চলাৰ ঋণ মঞ্জুৰিৰ সৈতে জড়িত বিভিন্ন নথি-পত্ৰ আৰু তথ্য বিচাৰিছে। আবেদনত চৰকাৰী গাইডলাইন আৰু বেংকৰ অভ্যন্তৰীণ নীতি অনুসৰি ঋণ অনুমোদনৰ প্ৰক্ৰিয়া, আবেদনকাৰীৰ বাসস্থানৰ দূৰত্বৰ মানদণ্ড, ঋণ আবেদনকাৰীৰ তালিকা, বেণ্ডাৰভিত্তিক ঋণ অনুমোদনৰ তথ্য, গৃহ পৰিদৰ্শন, জি পি এছ (GPS) ফটোগ্ৰাফ সংগ্ৰহ, আৰু পৰিদৰ্শনকাৰী বিষয়া সকলৰ নাম-পদবী আদিৰ দৰে একাধিক বিষয় সামৰি ধৰা হৈছে। বিশেষকৈ আবেদনত ABC Enterprises নামৰ বেণ্ডাৰৰ জৰিয়তে দাখিল হোৱা চলাৰ ঋণ আবেদনসমূহৰ ওপৰত অধিক তথ্য বিচৰা হৈছে। কোন তাৰিখে কোন গ্ৰাহকৰ নামত কিমান পৰিমাণৰ ঋণ মঞ্জুৰ কৰা হৈছে, সেই অনুমোদনৰ ভিত্তি কি আছিল, প্ৰতিটো ক্ষেত্ৰতে গৃহ পৰিদৰ্শন সঠিকভাৱে সম্পন্ন কৰা হৈছিল নে নাই, পৰিদৰ্শনৰ সময়ত জি পি এছ সম্বলিত ফটোগ্ৰাফ সংগ্ৰহ কৰা হৈছিল নে নাই, আৰু চৰকাৰী গাইডলাইন অনুসৰি চলাৰ সংযোগ স্থাপন কৰা হৈছিল নে নহয়- এই সকলো বিষয়ৰ তথ্য আবেদনকাৰীয়ে বিচাৰিছে। ইয়াৰ উপৰিও, যদি বেংকৰ কোনো বিষয়া বা কৰ্মচাৰীয়ে আবেদনকাৰীৰ গৃহ পৰিদৰ্শন কৰি থাকে, তেন্তে সেই বিষয়া বা কৰ্মচাৰীৰ নাম, পদবী, পৰিদৰ্শনৰ তাৰিখ, পৰিদৰ্শন প্ৰতিবেদন, জি পি এছ ফটোগ্ৰাফ আৰু সংশ্লিষ্ট নথি-পত্ৰৰ সত্যায়িত অনুলিপিও যোগান ধৰিবলৈ আবেদনত দাবী জনোৱা হৈছে। স্থানীয় মহলৰ মতে, এই তথ্য জনাৰ অধিকাৰ আবেদন কেৱল কিছুমান তথ্য সংগ্ৰহৰ বাবে নহয়; বৰং চৰকাৰী আঁচনিৰ অধীনত চলাৰ ঋণ মঞ্জুৰি প্ৰক্ৰিয়াত স্বচ্ছতা, জবাবদিহিতা আৰু গাইডলাইন অনুসৰণ নিশ্চিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। চৰকাৰী অনুদান আৰু বেংক ঋণৰ সৈতে জড়িত যিকোনো প্ৰক্ৰিয়াত নীতি-নিয়ম কঠোৰভাৱে পালন হোৱাটো জনস্বাৰ্থৰ বিষয় বুলিও বহুতে মত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ অনুসৰি কোনো আবেদন দাখিল হোৱাৰ পাছত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সংশ্লিষ্ট জন তথ্য বিষয়া (Public Information Officer)য়ে আবেদনকাৰীক বিচৰা তথ্য প্ৰদান কৰিব লাগে অথবা আইনৰ বিধান অনুসৰি তথ্য নিদিয়াৰ কাৰণ লিখিতভাৱে জনাব লাগে। এতিয়া দৃষ্টি নিবদ্ধ হৈছে যমুনামুখ ষ্টেট বেংক কৰ্তৃপক্ষৰ ওপৰত। আবেদনত উত্থাপিত বিভিন্ন প্ৰশ্নৰ উত্তৰত বেংক কৰ্তৃপক্ষই কি তথ্য প্ৰকাশ কৰে আৰু চলাৰ ঋণ মঞ্জুৰি প্ৰক্ৰিয়াৰ ওপৰত কিমানখিনি স্বচ্ছতা নিশ্চিত হয়, সেয়াই আগন্তুক দিনত লক্ষণীয় বিষয় হৈ পৰিব।

## কৰ্তব্যৰত মুখ্য ৱাৰ্ডেনৰ ৰহস্যজনক মৃত্যু

# গোলাঘাট জিলা কাৰাগাৰত অঘটন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৩০ জুলাই ঃ** গোলাঘাট জিলা কাৰাগাৰৰ চৌহদত আজি কৰ্তব্যৰত এজন মুখ্য ৱাৰ্ডেনৰ ৰহস্যজনক মৃত্যুৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। খবৰ অনুসৰি আজি কাৰাগাৰখনৰ মুখ্য ৱাৰ্ডেন ৰেৱকান্ত তামোলীৰ মৃতদেহ কাৰাগাৰ চৌহদত থকা তামোলীৰ নিজা কোঠাৰ পৰা ৰহস্যজনকভাৱে উদ্ধাৰ কৰা হৈছে। অৱসৰলৈ মাজত মাত্ৰ এমাহ থকা অৱস্থাত মুখ্য ৱাৰ্ডেন তামোলীৰ মৃতদেহ এনেকৈ উদ্ধাৰ হোৱাকলৈ বিভিন্ন মহলত সৃষ্টি হৈছে ৰহস্যৰ। জানিব পৰামতে আজি পুৱা ডিউটি চিফট কৰিবলৈ আহি কাৰাগাৰখনৰ এগৰাকী কৰ্মচাৰীয়ে তামোলীক কোঠাৰ বাহিৰৰ পৰা মাত দিয়ে যদিও তেওঁৰ পৰা কোনো সঁহাৰি লাভ নকৰাত বিষয়টো কাৰাগাৰ কৰ্তৃপক্ষক অৱগত কৰে। তাৎক্ষণিকভাৱে কাৰাগাৰ কৰ্তৃপক্ষ ঘটনাস্থলীত উপস্থিত হৈ কোঠাটোৰ দৰ্জা ভাঙি ভিতৰত প্ৰৱেশ কৰে আৰু তামোলীক চীপ লোৱা অৱস্থাত উদ্ধাৰ কৰে। পাছত দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰোনোত্তৰ পৰীক্ষাৰ বাবে জিলা কাৰাগাৰৰ পৰা গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ অনাৰ ব্যৱস্থা কৰে। মৃত তামোলীৰ ঘৰ যোৰহাট জিলাৰ ভোগদৈত বুলি জানিব পৰা গৈছে। কি কাৰণত তামোলীয়ে আত্মহত্যাৰ দৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হ'ল সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব প্ৰকৃত সত্য।

## মোবাইল নেটৱৰ্ক সেৱাৰ নামত চৰম প্ৰতাৰণাৰ অভিযোগ

# গোৱালপাৰাত টেলিফ'ন কোম্পানীৰ গ্ৰাহকক লুণ্ঠন

**অসম বাৰ্তা, কৃষ্ণাই, ৩০ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই, দুধনৈ, আগিয়া, দলগোমা আদি বহু ভিতৰুৱা অঞ্চলত মোবাইল নেটৱৰ্কৰ দুৰ্বল সেৱাক লৈ গ্ৰাহকসকলৰ মাজত অসন্তোষ বৃদ্ধি পাইছে। এয়াৰটেল, জিঅ' আদি টেলিকম কোম্পানীয়ে ৰিচাৰ্জ কৰিবলৈ গ্ৰাহকক বাৰম্বাৰ ফোন বা মেছেজ কৰি সোঁৱৰাই দিয়ে যদিও উন্নত মানৰ নেটৱৰ্ক সেৱা প্ৰদানত ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, ৰিচাৰ্জ এদিন পলম হ'লেই কোম্পানীৰ এজেণ্টসকলে গ্ৰাহকক ফোন কৰি বিভিন্ন লোভনীয় অফাৰ দেখুৱাই ৰিচাৰ্জ কৰিবলৈ অনুৰোধ কৰে। অথচ গ্ৰাহকে লাভ কৰা নেটৱৰ্ক সেৱাৰ মানদণ্ড সন্তোষজনক নে নহয়, সেই বিষয়ত কোম্পানীসমূহে প্ৰয়োজনীয় গুৰুত্ব দিয়া দেখা নাযায়। বিশেষকৈ কৃষ্ণাই, দুধনৈ, আগিয়া, দলগোমা আদি ভিতৰুৱা অঞ্চলত এতিয়াও বহু ঠাইত ঘৰৰ ভিতৰত মোবাইল নেটৱৰ্ক নাথাকে। ফলত এটা সাধাৰণ ফোন কৰিবলৈও বহু লোকক ঘৰৰ বাহিৰলৈ ওলাই যাবলগীয়া হয়। আনহাতে, ৫জি সেৱাৰ প্ৰচাৰ চলি থকাৰ পিছতো বহু অঞ্চলত ৪জি ডাটাও সন্তোষজনকভাৱে ব্যৱহাৰ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপিত হৈছে। গ্ৰাহকসকলে বিভিন্ন সময়ত কোম্পানীৰ গ্ৰাহক সেৱা কেন্দ্ৰত অভিযোগ দাখিল কৰিলেও স্থায়ী সমাধান পোৱা নাযায় বুলি অভিযোগ কৰিছে। মাহে ৩৪৯ টকা বা তাতকৈ অধিক মূল্যৰ ৰিচাৰ্জ কৰাৰ পিছতো যদি ঘৰৰ ভিতৰত ফোন কৰিব নোৱাৰি বা ইণ্টাৰনেট ব্যৱহাৰ কৰিব নোৱাৰি, তেন্তে এনে সেৱা গ্ৰাহকৰ বাবে এক প্ৰকাৰৰ আৰ্থিক বোজা বুলিয়েই বিবেচিত হৈছে। বৰ্তমান অধিকাংশ কোম্পানীয়ে ২৪-২৮ দিনীয়া বৈধতাসম্পন্ন ৰিচাৰ্জ পেকৰ বাবে ২৫০ টকাৰ পৰা ৩৪৯ টকালৈকে মাচুল আদায় কৰে। কিন্তু ইয়াৰ বিপৰীতে মানসম্পন্ন নেটৱৰ্ক সেৱা নিশ্চিত নকৰাটো গ্ৰাহকৰ প্ৰতি অন্যায় বুলি বহুতে মত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, গ্ৰাহকৰ পৰা নিয়মিতভাৱে ৰিচাৰ্জৰ জৰিয়তে ৰাজহ সংগ্ৰহ কৰা কোম্পানীসমূহৰ দায়িত্ব হৈছে মানসম্পন্ন আৰু নিৰ্ভৰযোগ্য সেৱা আগবঢ়োৱা। কিন্তু অভিযোগ দাখিল কৰাৰ পিছতো বহু ক্ষেত্ৰত কেৱল অভিযোগ পঞ্জীয়ন কৰি ৬০ৰ পৰা ১৮০ দিনলৈকে অপেক্ষা কৰিবলৈ কোৱা হয়, যাৰ ফলত গ্ৰাহকৰ ভোগান্তি অব্যাহত থাকে। এই পৰিস্থিতিত গোৱালপাৰা জিলাৰ ভিতৰুৱা অঞ্চলসমূহত মোবাইল নেটৱৰ্কৰ মান উন্নত কৰাৰ বাবে সংশ্লিষ্ট টেলিকম কোম্পানীসমূহ আৰু নিয়ন্ত্ৰক কৰ্তৃপক্ষই শীঘ্ৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ দাবী উত্থাপন হৈছে।

# মৰিগাঁৱৰ জিলা আয়ুক্তৰ বিডিঅ'সকলৰ সৈতে উন্নয়নমূলক কাৰ্যসূচীৰ অগ্ৰগতি মূল্যায়ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ জুলাই ঃ** মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰী, ACS-এ আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ খণ্ড উন্নয়ন বিষয়া (BDO)সকলৰ সৈতে এখন বৈঠকত সভাপতিত্ব কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা, ACS উপস্থিত থাকে। বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন গুৰুত্বপূৰ্ণ উন্নয়নমূলক কাৰ্যসূচীৰ অগ্ৰগতি মূল্যায়ন কৰাৰ লগতে তৃণমূল পৰ্যায়ত জনসেৱা অধিক ফলপ্ৰসূ আৰু সময়োপযোগীভাৱে আগবঢ়োৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্তই চৰকাৰী আঁচনিসমূহৰ সময়মতে ৰূপায়ণ, ফলপ্ৰসূ তদাৰক আৰু জনঅভিযোগৰ দ্ৰুত নিষ্পত্তি নিশ্চিত কৰিবলৈ বিডিঅ'সকলক নিৰ্দেশ দিয়ে।

## ডিব্ৰুগড়ৰ সুৰভি মইনা পাৰিজাতৰ নাজিৰাত বানসাহায্য বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুলাই ঃ** ডিব্ৰুগড়ৰ অন্যতম অনুষ্ঠান সুৰভি মইনা পাৰিজাতৰ সম্পাদিকা মধুমিতা দত্তৰ নেতৃত্বত আঠ জনীয়া এটি দলে নাজিৰা জিলা পৰিষদৰ অন্তৰ্গত বৰবৰুৱা গাঁও পঞ্চায়তৰ গড়আলিত থকা বানপিড়ীত ৰাইজৰ মাজত খাদ্য-সামগ্ৰী, আঁঠুৱা, সৰু ল'ৰা ছোৱালীৰ কাপোৰ, মেখেলা চাদৰ, শাৰী, বিস্কুত, ধুতী, পাঞ্জাৱী, অ আৰ এচ, ঔষধ পানীৰ বটল আদি বিতৰণ কৰে। নাজিৰা জিলা পৰিষদৰ সভাপতি মামু পাতৰ গগৈ আৰু পঞ্চায়ত কাউন্সিলাৰ হেমা সন্দিকৈয়ে মইনা পাৰিজাতৰ দ'লটিক সহযোগ কৰে। উক্ত সাহায্য কাৰ্যসূচীলৈ হিলিং চ্ছেদ নামৰ অনুষ্ঠানটিও সাহায্য আৰু সহযোগিতা আগবঢ়ায়।

## সম্পাদকীয়

# 'বন্দে মাতৰম' আইন ঃ জাতীয় গৌৰৱ নে বিভাজনৰ অস্ত্ৰ ?

স্বাধীনতা সংগ্ৰামৰ প্ৰেৰণাদায়ী মন্ত্ৰ 'বন্দে মাতৰম'ক এতিয়া আইনী সুৰক্ষা প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰীয় সন্মানৰ অপমান প্ৰতিৰোধ (সংশোধনী) বিধেয়ক, ২০২৬-ত ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰাৰ লগে লগে এই গীতটোক অপমান কৰা বা বিকৃত ৰূপত পৰিৱেশন কৰা শাস্তিযোগ্য অপৰাধ হিচাপে পৰিগণিত হৈছে। নতুন আইন অনুসৰি, ইচ্ছাকৃতভাৱে 'বন্দে মাতৰম' গোৱাত বাধা দিলে বা ইয়াৰ প্ৰতি অসন্মান প্ৰকাশ কৰিলে সৰ্বোচ্চ তিনি বছৰ কাৰাদণ্ড আৰু অৰ্থদণ্ডৰ বিধান আছে। চৰকাৰে কয় যে এই সংশোধনীৰ জৰিয়তে ৰাষ্ট্ৰীয় গীত 'জন গণ মন'ৰ দৰে 'বন্দে মাতৰম'কো একে আইনী মৰ্যাদা প্ৰদান কৰা হৈছে। কিন্তু এই বিধেয়কখনে ৰাজনৈতি মহলত তীব্ৰ বিৰোধিতাৰ সৃষ্টি কৰিছে আৰু ইয়াক লৈ জাতীয়তাবাদ আৰু ধৰ্মনিৰপেক্ষতাৰ মাজৰ সংঘাত পুনৰ মূৰ্ত হৈ উঠিছে।

'বন্দে মাতৰম' বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰা এই গীতটোৱে স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা পালন কৰিছিল। গৃহ পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী নিত্যানন্দ ৰায়ে কয় যে কংগ্ৰেছে ৭৬ বছৰীয়া কাৰ্যকালত তুষ্টিকৰণৰ ৰাজনীতিৰ বাবে এই গীতটোক যথাযথ সন্মান দিয়া নাছিল। তেওঁ দাবী কৰে যে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ বাবে সম্পূৰ্ণছটা স্তৱক গোৱাটো প্ৰয়োজন। বিজেপি সাংসদ সম্বিত পাত্ৰই কয় যে সংবিধান সভাৰ সভাপতি ৰাজেন্দ্ৰ প্ৰসাদে 'জন গণ মন' আৰু 'বন্দে মাতৰম'ক সমান সন্মান দিয়াৰ আশ্বাস দিছিল, কিন্তু কংগ্ৰেছে সেই প্ৰতিশ্ৰুতি পালন কৰা নাছিল। চৰকাৰে ইয়াক কেৱল আইনী সংশোধনী নহয়, ভাৰতৰ আত্মা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি প্ৰতিশ্ৰুতি বুলি অভিহিত কৰিছে।

অন্যহাতে, বিৰোধী দলসমূহে এই বিধেয়কখনক "হিন্দুত্ববাদী এজেণ্ডা" আৰু "জাতীয়তাবাদৰ পোছাক পিন্ধা সাম্প্ৰদায়িক মানসিকতা" বুলি সমালোচনা কৰিছে। ডিএমকে সাংসদ কানিমোঝিয়ে কয় যে সংবিধান প্ৰণেতাসকলে জ্ঞানৰ সৈতে 'বন্দে মাতৰম'ৰ মাত্ৰ দুটা স্তৱক গ্ৰহণ কৰিছিল, কিন্তু চৰকাৰে সম্পূৰ্ণছটা স্তৱক বাধ্যতামূলক কৰি বিভাজন সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। তেওঁ মত পোষণ কৰে যে আইন প্ৰণয়ন কৰি জাতীয়তাবাদ জাপি দিব নোৱাৰি, আৰু এই গীতটো দেশৰ ধৰ্মনিৰপেক্ষতাৰ বিৰুদ্ধে। ডিএমকেৰ আন এজন সাংসদ এ ৰাজাই বিধেয়কখনক "সাম্প্ৰদায়িক দৃষ্টিভংগী" বুলি অভিহিত কৰে। তেওঁলোকৰ মতে, এই আইনে ৰাজ্যিক গীত থকা ৰাজ্যসমূহৰ সাংস্কৃতিক স্বাধীনতাক অসন্মান কৰে।

এই বিতৰ্কই এটি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে - জাতীয় প্ৰতীকৰ সন্মান ৰক্ষা কৰিবলৈ আইনী কাঠামো প্ৰয়োজন নেকি, নে এই ধৰণৰ আইনে মতপ্ৰকাশৰ স্বাধীনতাক সংকুচিত কৰে? 'বন্দে মাতৰম' এক ঐতিহাসিক আৰু প্ৰেৰণাদায়ী ৰচনা, ইয়াৰ প্ৰতি সন্মান থকাটো স্বাভাৱিক। কিন্তু আইনী বলপ্ৰয়োগে প্ৰকৃত সন্মান সৃষ্টি কৰিব পাৰে নে, সেয়া সন্দেহজনক। তদুপৰি, গীতটোৰছটা স্তৱকক সম্পূৰ্ণ ৰূপত গ্ৰহণ কৰাটো কিমান যুগুত, তাৰো ওপৰত পুনৰ্বিচাৰ কৰা উচিত। সংবিধান সভাই স্তৱক দুটা গ্ৰহণ কৰাৰ পিছত এই সিদ্ধান্তক প্ৰত্যাহ্বান জনোৱা হয়তো জাতীয় একতাক অধিক সুদৃঢ় কৰাত সহায়ক নহ'বও পাৰে।

আইনখন গৃহীত হোৱাৰ পিছতো বিৰোধীসকলে সদনত চিএৰ-বাখৰ চলাই থাকে। এই পৰিস্থিতিয়ে প্ৰকাশ কৰে যে জাতীয় প্ৰতীকৰ সন্মান সম্পৰ্কে ৰাষ্ট্ৰীয় ঐকমত্য এতিয়াও দূৰৈৰ। চৰকাৰে যিদৰে কয় যে এই আইন 'অভিমানৰ বিধেয়ক', ঠিক সেইদৰে বিৰোধীসকলে ইয়াক গণতন্ত্ৰৰ বাবে 'বিপজ্জনক দিন' বুলি অভিহিত কৰিছে। এই বিভাজন অতিক্ৰম কৰিবলৈ আইনী বল প্ৰয়োগতকৈ সংলাপ আৰু সন্মানজনক বুদ্ধিবৃত্তিক আলোচনা অধিক ফলপ্ৰসূ হ'ব পাৰে। 'বন্দে মাতৰম'ৰ সন্মান ৰক্ষা কৰাটো প্ৰত্যেক নাগৰিকৰ কৰ্তব্য, কিন্তু সেই কৰ্তব্য আইনৰ ভয়ত নহয়, অন্তৰৰ পৰা আহিব লাগে।



# বানপানী আৰু বিপৰ্যস্ত উজনি

*এগৰাকী সচেতন নাগৰিক হিচাপে আমি আমাৰ সামাজিক কৰ্তব্যৰ পৰা কোনো কাৰণতে আঁতৰি থাকিব নোৱাৰো। আমি আমাৰ প্ৰকৃতিৰ ওপৰত চলোৱা নিৰ্মম অত্যাচৰ বন্ধ কৰিবই লাগিব। নদীৰ পাৰৰ বেদখল মুক্ত কৰা, জলাশয় আৰু ঐতিহাসিক বিলসমূহ সংৰক্ষণ কৰাত আমি চৰকাৰক সহায় কৰিব লাগিব। প্লাষ্টিক তথা অন্যান্য আৱৰ্জনা য'তে-ত'তে পেলাই চহৰৰ নলা-নৰ্দমা বন্ধ নকৰাটো আমাৰ প্ৰধান কৰ্তব্য। এখন চহৰৰ কৃত্ৰিম বান বহুলাংশে নাগৰিকৰ অসচেতনতাৰ ফল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। গছপুলি ৰোপণ আৰু বৰ্তমান থকা বনাঞ্চল সংৰক্ষণৰ জৰিয়তে আমি মাটিৰ খহনীয়া আৰু বানপানীৰ প্ৰকোপ বহু পৰিমাণে ৰোধ কৰিব পাৰো। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি গাঁও আৰু ৱাৰ্ড পৰ্যায়ত স্থানীয় লোকৰ দ্বাৰা স্বেচ্ছাসেৱী গোট গঠন কৰি আগতীয়া প্ৰস্তুতি চলোৱা উচিত। ওখ স্থানত আশ্ৰয় শিবিৰৰ ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ জ্ঞান আদি সমাজৰ প্ৰতিটো স্তৰতে থাকিলে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুলাংশে হ্ৰাস কৰিব পৰা যাব।*

প্ৰতি বছৰে বানপানীয়ে অসমৰ জনজীৱন বিপৰ্যস্ত কৰি আহিছে যদিও, শেহতীয়াকৈ উজনি অসমত যি প্ৰলয়ংকৰী বানৰ সৃষ্টি হৈছে, সি সঁচাকৈয়ে অভূতপূৰ্ব, মৰ্মান্তিক আৰু চৰম উদ্বেগজনক। বানপানী অসমৰ বাবে নতুন সমস্যা নহয়, এই কথা সঁচা। কিন্তু চলিত বৰ্ষৰ জুলাই মাহত (২০২৬ চন) উজনি অসমৰ যিসমূহ অঞ্চল পানীৰ তলত জাহ গ'ল, সেয়া বিগত কেইবা দশকৰ ইতিহাসতো হোৱা নাছিল। উপগ্ৰহীয় চিত্ৰ আৰু বাস্তৱিক পৰিস্থিতিয়ে প্ৰমাণ কৰিছে যে এইবাৰৰ বানপানী কেৱল মাত্ৰ এটা সাধাৰণ প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰঞ্চ ই এক গভীৰ জলবায়ু, ভৌগোলিক আৰু পৰিৱেশগত সংকটৰ এক জ্বলন্ত ইংগিত। এগৰাকী সচেতন নাগৰিক হিচাপে এই ভয়াবহ পৰিস্থিতিৰ কাৰণসমূহ, জনজীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু ইয়াৰ স্থায়ী প্ৰতিকাৰৰ ক্ষেত্ৰত চৰকাৰ তথা সাধাৰণ ৰাইজৰ দায়িত্বৰ বিষয়ে গভীৰভাৱে আলোকপাত কৰাৰ সময় এতিয়া সমাগত।

শেহতীয়া বাতৰি আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ (ASDMA) তথ্যৰ ফালে চকু ফুৰালে পৰিস্থিতিৰ ভয়াবহতা সহজে অনুমান কৰিব পাৰি। চলিত বানত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি আৰু তিনিচুকীয়া জিলা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জুলাই মাহৰ তথ্য অনুসৰি, ৰাজ্যখনৰ প্ৰায় ৭.২৭ লাখৰো অধিক লোক এই বিধ্বংসী বানৰ কবলত পৰিছে আৰু মৃত্যুৰ সংখ্যাই অৰ্ধশতকৰ ঘৰ স্পৰ্শ কৰিছেগৈ। চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত সংঘটিত হোৱা ডাৱৰ বিস্ফোৰণ আৰু স্বাভাৱিকতকৈ বহুগুণে (প্ৰায় ১৪১ শতাংশৰ পৰা ৪৩৬ শতাংশ পৰ্যন্ত) অধিক মাত্ৰাত হোৱা বৰষুণৰ ফলত নামনিৰ জিলাসমূহত এই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ব্ৰহ্মপুত্ৰৰ উপৰিও উজনিৰ প্ৰধান উপনৈসমূহ যেনে- বুঢ়ীদিহিং, দিখৌ, দিচাং, আৰু ধনশিৰিৰ জলস্তৰ বিপদসীমাৰ বহু ওপৰেৰে বৈ গৈছে। ডিব্ৰুগড়ৰ খোৱাং অঞ্চলত বুঢ়ীদিহিং, নামতি আৰু নাজিৰাত দিখৌ, লগতে শিৱসাগৰৰ নাঙলমূৰাঘাটত দিচাং নৈয়ে পূৰ্বৰ সকলো সৰ্বোচ্চ জলস্তৰৰ অভিলেখ ভংগ কৰিছে। ইউৰোপীয় সংঘৰ কপাৰনিকাছ উপগ্ৰহৰ শেহতীয়া চিত্ৰই দেখুৱাইছে যে যোৰহাটৰ সমীপত ব্ৰহ্মপুত্ৰৰ পানী ইয়াৰ স্বাভাৱিক অৱস্থানতকৈ প্ৰায় তিনিগুণ অধিক প্ৰসাৰিত হৈছে, যিটো এক ভয়ংকৰ সংকেত। এই জলপ্ৰলয়ে উজনিৰ যিবোৰ চাহ বাগিচা আৰু গ্ৰামাঞ্চলত আগতে কেতিয়াও বানপানী হোৱা নাছিল, সেইবোৰকো সম্পূৰ্ণৰূপে জলমগ্ন কৰি পেলাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তথ্য অনুসৰি শিমলুগুৰি আৰু মৰিয়নিৰ দৰে অঞ্চলত ৰে'লপথ পানীৰ তললৈ যোৱাৰ ফলত বহুতো ৰে'লৰ যাতায়াত বাতিল বা হ্ৰস্বম্যাদী কৰিবলগীয়া হৈছে। উজনি অসমত বানপানীৰ এই কালৰূপৰ আঁৰত কেৱল প্ৰকৃতিৰ ৰোষেই দায়ী নহয়, বৰঞ্চ মানৱসৃষ্ট কাৰণসমূহো সমানেই দায়ী। ইয়াক আমি দুটা প্ৰধান দিশত আলোচনা কৰিব পাৰোঁ। প্ৰথমটো হ'ল প্ৰাকৃতিক আৰু জলবায়ুগত কাৰণ। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত জলবায়ুৰ ব্যাপক পৰিৱৰ্তন হৈছে, যাৰ ফলত বৰষুণৰ স্বাভাৱিক বিতৰণ সলনি হৈছে। কম সময়ৰ ভিতৰতে অত্যধিক মাত্ৰাত বৰষুণ হোৱাৰ ফলত নদীসমূহে বিশাল পানীৰ স্ৰোত একেলগে কঢ়িয়াব নোৱাৰা হৈছে। চুবুৰীয়া ৰাজ্যসমূহৰ পৰা পাহাৰীয়া ঢালেৰে নামি অহা পানীয়ে পলস কঢ়িয়াই আনি নৈৰ তলি তৰাং কৰি পেলাইছে। দ্বিতীয়টো হ'ল মানৱসৃষ্ট আৰু প্ৰশাসনিক কাৰণ। নদীৰ উজনি অংশত নিপকো (NEEPCO) আদিৰ দৰে প্ৰকল্পৰ পৰা হঠাতে কোনো আগতীয়া পৰ্যাপ্ত সতৰ্কবাণী নোহোৱাকৈ পানী এৰি দিয়াৰ ফলত নামনিৰ গোলাঘাট, যোৰহাট আদি জিলাত কৃত্ৰিম বানৰ সৃষ্টি হোৱা বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈছে। আনহাতে, ডিব্ৰুগড় আৰু যোৰহাটৰ দৰে ঐতিহাসিক চহৰসমূহত দেখা দিয়া ভয়াবহ কৃত্ৰিম বানৰ মূল কাৰণ হ'ল অপৰিকল্পিত নগৰীকৰণ। পানী ওলাই যোৱা প্ৰাকৃতিক নলাসমূহ আৰু জলাশয়সমূহ বেদখল কৰি কংক্ৰিটৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে। প্লাষ্টিক আৰু অন্যান্য আৱৰ্জনাৰে নিষ্কাসন প্ৰণালী সম্পূৰ্ণৰূপে পুতি পেলোৱা হৈছে। বনাঞ্চল ধ্বংস, পাহাৰ কটা আৰু নদীৰ বুকুৰ অবৈধ খননৰ ফলত পৰিৱেশৰ ভাৰসাম্য বিনষ্ট হৈছে। মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ নামত চলা দুৰ্নীতি, পুৰণি অবৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ আৰু বাৰিষাৰ ঠিক আগমুহূৰ্তততহে কাম আৰম্ভ কৰা প্ৰৱণতাই বান পৰিস্থিতিক



চন্দন কুমাৰ নাথ

অধিক ভয়াৱহ কৰি তুলিছে। উজনি অসম মূলতঃ কৃষি আৰু চাহ উদ্যোগৰ ওপৰত নিৰ্ভৰশীল। এই বানপানীয়ে হাজাৰ হাজাৰ হে'ৰ কৃষিভূমি নষ্ট কৰিছে। কৃষকৰ সেউজীয়া সপোন পলস আৰু বালিৰ তলত পোত গৈছে। পশুধনৰ ব্যাপক মৃত্যু আৰু বাসগৃহৰ ধ্বংসই গ্ৰাম্য অৰ্থনীতিক পংগু কৰি পেলাইছে। যাতায়াত ব্যৱস্থা, বিদ্যালয়, চিকিৎসালয় আদিৰ আন্তঃগাঁথনি ধ্বংস হোৱাৰ ফলত সাধাৰণ ৰাইজৰ জীৱনলৈ ঘোৰ অমানিশা নামি আহিছে। বানপানীৰ পিছত মহামাৰী আৰু খোৱাপানীৰ অভাৱে এক ভয়াবহ স্বাস্থ্য সংকটৰো সৃষ্টি কৰে।

এই ভয়াবহ দুৰ্যোগৰ পৰা পৰিত্ৰাণ পাবলৈ কেৱল চৰকাৰৰ সাহায্যলৈ বাট চাই থাকিলে নহ'ব। এখন সুৰক্ষিত সমাজ গঢ়িবলৈ চৰকাৰ আৰু ৰাইজ দুয়োপক্ষৰে সুনিৰ্দিষ্ট দায়িত্ব আছে। প্ৰথম অৱস্থাত, চৰকাৰ আৰু প্ৰশাসনৰ দায়িত্বৰ কথা বিবেচনা কৰিলে দেখা যায় যে, বানপানী প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত আন্তঃগাঁথনি গঢ়ি তোলাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। মথাউৰিসমূহৰ নিৰ্মাণত কেৱল মাটি আৰু বাঁহৰ ব্যৱহাৰৰ সলনি জিঅ'-টেক্সটাইল প্ৰযুক্তি আৰু আধুনিক অভিযান্ত্ৰিক কৌশল ব্যৱহাৰ কৰিব লাগে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ গভীৰতা বৃদ্ধি কৰিবলৈ বিজ্ঞানসন্মতভাৱে ড্ৰেজিং কৰাটো অতিশয় জৰুৰী হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, আন্তঃৰাজ্যিক সমন্বয় এক নিৰ্ণায়ক কাৰক। নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ সৈতে এক ফলপ্ৰসূ আগতীয়া সতৰ্কবাণী ব্যৱস্থা (Early Warning System) গঢ়ি তুলিব লাগিব। পাহাৰৰ ওপৰৰ প্ৰকল্পসমূহৰ পৰা পানী এৰি দিয়াৰ পূৰ্বেই নামনিৰ জনসাধাৰণক সময়মতে সুৰক্ষিত স্থানলৈ নিয়াৰ সুব্যৱস্থা থাকিব লাগে। জলাশয় বেদখলকাৰী আৰু বনাঞ্চল ধ্বংসকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰি তাৰ সঠিক ৰূপায়ণ কৰিব লাগিব। ভাৰতীয় সেনা, বায়ু সেনা, এন.ডি.আৰ.এফ. (NDRF) আৰু এছ.ডি.আৰ.এফ. (SDRF) আদি সংস্থাসমূহে শেহতীয়াকৈ যিদৰে উদ্ধাৰ অভিযান চলাইছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়, কিন্তু দুৰ্যোগৰ পূৰ্ব-প্ৰস্তুতি আৰু দুৰ্যোগৰ পিছৰ পুনৰ্সংস্থাপন প্ৰক্ৰিয়া অধিক দ্ৰুত আৰু দুৰ্নীতিমুক্ত হোৱা উচিত। আনহাতে, এগৰাকী সচেতন নাগৰিক হিচাপে আমি আমাৰ সামাজিক কৰ্তব্যৰ পৰা কোনো কাৰণতে আঁতৰি থাকিব নোৱাৰো। আমি আমাৰ প্ৰকৃতিৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰ বন্ধ কৰিবই লাগিব। নদীৰ পাৰৰ বেদখল মুক্ত কৰা, জলাশয় আৰু ঐতিহাসিক বিলসমূহ সংৰক্ষণ কৰাত আমি চৰকাৰক সহায় কৰিব লাগিব। প্লাষ্টিক তথা অন্যান্য আৱৰ্জনা য'তে-ত'তে পেলাই চহৰৰ নলা-নৰ্দমা বন্ধ নকৰাটো আমাৰ প্ৰধান কৰ্তব্য। এখন চহৰৰ কৃত্ৰিম বান বহুলাংশে নাগৰিকৰ অসচেতনতাৰ ফল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। গছপুলি ৰোপণ আৰু বৰ্তমান থকা বনাঞ্চল সংৰক্ষণৰ জৰিয়তে আমি মাটিৰ খহনীয়া আৰু বানপানীৰ প্ৰকোপ বহু পৰিমাণে ৰোধ কৰিব পাৰো। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেৱল প্ৰশাসনৰ ওপৰত নিৰ্ভৰ নকৰি গাঁও আৰু ৱাৰ্ড পৰ্যায়ত স্থানীয় লোকৰ দ্বাৰা স্বেচ্ছাসেৱী গোট গঠন কৰি আগতীয়া প্ৰস্তুতি চলোৱা উচিত। ওখ স্থানত আশ্ৰয় শিবিৰৰ ব্যৱস্থা, প্ৰাথমিক চিকিৎসাৰ জ্ঞান আদি সমাজৰ প্ৰতিটো স্তৰতে থাকিলে ক্ষয়-ক্ষতিৰ পৰিমাণ বহুলাংশে হ্ৰাস কৰিব পৰা যাব।

উজনি অসমৰ শেহতীয়া বানপানীয়ে আমাক এক কঠোৰ আৰু স্পষ্ট সতৰ্কবাণী দিছে। প্ৰকৃতিৰ বিৰুদ্ধে গৈ মানুহে কেতিয়াও জয়লাভ কৰিব নোৱাৰে। বানপানীক কেৱল এক ঋতুভিত্তিক সমস্যা বুলি আওকাণ কৰাৰ দিন উকলিল। যদি আমি এতিয়াও সাৰ নাপাওঁ আৰু বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ নকৰোঁ, তেন্তে ভৱিষ্যতে অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ কৃষি আৰু চাহ উদ্যোগ সম্পূৰ্ণৰূপে ধ্বংসৰ মুখত পৰিব। বানপানীৰ সৈতে সহাৱস্থান কৰিবলৈ আমি আধুনিক প্ৰযুক্তি, পৰিৱেশ অনুকূল আন্তঃগাঁথনি আৰু আন্তঃৰাজ্যিক সহযোগিতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগিব। সকলোৰে সন্মিলিত প্ৰচেষ্টা, সজাগতা আৰু দৃঢ় ইচ্ছা শক্তিৰেহে আমি অসমক বানৰ এই কালৰূপৰ পৰা ৰক্ষা কৰি নৱপ্ৰজন্মৰ বাবে এক সুৰক্ষিত আৰু সেউজ ভৱিষ্যতৰ দিশে আগুৱাই নিব পাৰিম।

# প্ৰতিশ্ৰুতিৰ পাহাৰ আৰু বাস্তৱৰ বিভীষিকা



হিমাক্ষী ডেকা

বছৰৰ পিছত বছৰ ধৰি অসমৰ বাবে বানপানী আৰু গৰাখহনীয়া এক পৰম্পৰাগত সামাজিক, অৰ্থনৈতিক আৰু মানৱীয় অভিশাপ সদৃশ হৈ পৰিছে। প্ৰতিটো বাৰিষা কালতে লুইতৰ দুয়োপাৰ উপচি পৰে, হাজাৰ হাজাৰ হে''ৰ খেতিমাটি পানীৰ তলত নিমজ্জিত হয় আৰু নৈপৰীয়া ৰাইজে নিজৰ সপোনৰ ঘৰ-বাৰী উটুৱাই নিয়া দৃশ্য প্ৰত্যক্ষ কৰিবলগীয়া হয়। কিন্তু শেহতীয়াকৈ উজনি অসমৰ শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু ডিব্ৰুগড় জিলাকে ধৰি কাষৰীয়া বিশাল অঞ্চলসমূহত যি ভয়াৱহ বিভীষিকাৰ সৃষ্টি হ'ল, সেয়াই ৰাজ্যখনৰ জলসম্পদ ব্যৱস্থাপনা, দুৰ্যোগ প্ৰশমন প্ৰক্ৰিয়া, পূৰ্বপ্ৰস্তুতি আৰু সমগ্ৰ প্ৰশাসনিক ব্যৱস্থাটোৰেই ফোঁপোলা স্বৰূপটো পুনৰবাৰ নগ্নভাৱে উদঙাই দেখুৱালে। দিখৌ, দিচাং, জাঁজী, বুঢ়ীদিহিং আৰু ব্ৰহ্মপুত্ৰৰ সংহাৰী ৰূপে ঐতিহাসিক শিৱসাগৰ চহৰৰ প্ৰাচীন দলং, চিকিৎসালয়, ন্যায়ালয়, চৰকাৰী কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি বিস্তৃত অঞ্চল পানীৰে বুৰ গ'ল। হাজাৰ হাজাৰ পৰিয়ালে নিজৰ কষ্টোপাৰ্জিত সা-সম্পদ, সঁজুলি, বাহন, পশুধন আৰু সপোনৰ ঘৰ-দুৱাৰ চকুৰ পলকতে বোকা-পানীৰ তলত নিঃশেষ হৈ পৰিল। ৰাজপথ, ওখ বান্ধ আৰু দুৰ্গম আশ্ৰয় শিবিৰসমূহত সহস্ৰাধিক জনসাধাৰণে খাদ্যবস্তু, শিশুৰ আহাৰ, জৰুৰী ঔষধ আৰু আনকি এটুপি বিশুদ্ধ খোৱাপানীৰ বাবেও কৰুণ আৰ্তনাদ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। একেদৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজীৰঙা ৰাষ্ট্ৰীয় উদ্যানৰো সংৰক্ষিত বন শিবিৰ পানীৰ তলত থকাৰ বাবে অৰণ্যৰ বিৰল জীৱ-জন্তুবোৰে আশ্ৰয়ৰ বিচাৰত ৰাষ্ট্ৰীয় ঘাইপথলৈ ওলাই আহি চৰম অস্তিত্বৰ সংকটত পৰিছে।

বৰ্তমানৰ এই অভূতপূৰ্ব পৰিস্থিতিক যদি কেৱল স্বাভাৱিক প্ৰাকৃতিক দুৰ্যোগ বুলি ধৰি লোৱা হয়, তেন্তে সেয়া হ'ব আটাইতকৈ ডাঙৰ ভুল। জিঅ'-পৰিৱেশ বিজ্ঞান, জলবায়ুৰ পৰিৱৰ্তন আৰু ভৌগোলিক তথ্যৰ আধাৰত নিৰপেক্ষভাৱে অনুধাৱন কৰিলে এই কথা একেবাৰে স্পষ্ট হৈ পৰিব যে ই এক ভয়ংকৰ মানৱসৃষ্ট পাৰিপাৰ্শ্বিক তথা প্ৰশাসনিক দুৰ্যোগ। আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰিৱেশ সংস্থাবোৰৰ প্ৰতিবেদন অনুসৰি, বিগত এটা দশকৰ ভিতৰত অসমৰ সীমান্তৱৰ্তী নাগালেণ্ডৰ পাহাৰীয়া অঞ্চলসমূহত প্ৰায় ৭৯৫ বৰ্গ কিলোমিটাৰ বনাঞ্চল সম্পূৰ্ণৰূপে ধ্বংস কৰা হৈছে। তাত অবৈজ্ঞানিকভাৱে চলাই থকা ব্যাপক পাহাৰ কটা, অনিয়ন্ত্ৰিত কয়লা খনন আৰু উদ্যোগ সম্প্ৰসাৰণৰ বাবে পাহাৰীয়া মাটিৰ ধাৰণ ক্ষমতা সম্পূৰ্ণৰূপে হ্ৰাস পাইছে। যেতিয়াই নাগালেণ্ডৰ পাহাৰত অতিপাত ধাৰাসাৰ বৰষুণ হয়, তেতিয়াই সেই বলীয়া হৈ বৈ অহা পানীয়ে হাজাৰ হাজাৰ টন বালি, মাটি, বোকা আৰু শিল কঢ়িয়াই আনি নামনি অসমৰ নদীসমূহৰ বুকুত জমা কৰে। ইয়াৰ ফলস্বৰূপে আমাৰ নদীসমূহৰ নাব্য ক্ষমতা আৰু পানী ধৰি ৰখাৰ স্বাভাৱিক গভীৰতা সম্পূৰ্ণ তললৈ গুচি গৈছে। যাৰ পোনপটীয়া পৰিণামত অতি কম সময়ৰ বৰষুণতে নদীসমূহ উপচি পৰে আৰু পাহাৰৰ পৰা নামি অহা বানে শত-সহস্ৰ মানুহক, জীৱ-জন্তুক বিপদ মুখৰ পৰিস্থিতিৰ সন্মুখীন কৰায়। ইফালে বানৰ সংহাৰৰ পিচত সৃষ্টি হোৱা পৰিস্থিতি আৰু অধিক ভয়াৱহ— প্লাৱনৰ পানী লাহে-লাহে কমি অহাৰ লগে লগে বিভিন্ন স্থানত খোৱাপানীৰ উৎসসমূহ দূষিত হৈ পৰাত ডায়েৰিয়া, চালৰ ৰোগ, বিষাক্ত জ্বৰ আদি সংক্ৰামক ব্যাধিয়ে মহামাৰীৰ ৰূপ ধাৰণ কৰিব। আনহাতে, সোণালী শস্যৰে ভৰি থকা শ-শ হেক্টৰ খেতিমাটিত শস্যৰ সলনি গেদ আৰু বোকা-মাটি ঘন হৈ পৰাৰ বাবে অনাগত দিনসমূহত শস্য উৎপাদন সম্পূৰ্ণ স্থবিৰ হৈ পৰাৰ এক ভয়াবহ পৰিস্থিতিৰ হয়তো সৃষ্টি হ'ব। গ্ৰাম্য অৰ্থনীতিৰ ৰাজহাড় সম্পূৰ্ণৰূপে ভাঙি পেলাব।

আটাইতকৈ দুৰ্ভাগ্যজনক বিষয়টো হ'ল ইমান ডাঙৰ সংকটৰ মুহূৰ্ততো চৰকাৰ, জলসম্পদ বিভাগ আৰু জিলা প্ৰশাসনৰ যি নিখুঁত প্ৰস্তুতি, আধুনিক ব্যৱস্থাপনা আৰু সমন্বয় থকা উচিত আছিল, বাস্তৱক্ষেত্ৰত তাৰ চৰম দায়িত্বহীনতা আৰু বিফলতাহে ফুটি উঠিছে। বিগত কেইবাটাও দশক ধৰি



মেৰামতিৰ নামত কোটি কোটি টকা ব্যয় কৰা সুৰক্ষা বান্ধসমূহ বাৰিষা অহাৰ লগে লগে পানীৰ প্ৰথমটো ঢৌতে ধ্বংস কৰাৰ পৰিলক্ষিত হয়। নাগালেণ্ডৰ পাহাৰত ধাৰাবাহিকভাৱে অতিপাত বৰষুণ হৈ থকাৰ স্পষ্ট তথ্য বতৰ বিজ্ঞান বিভাগৰ হাতত থকাৰ পাছতো অসম চৰকাৰ বা জিলা প্ৰশাসনে নদীপৰীয়া ৰাইজক আগতীয়া কোনো তথ্য বা সতৰ্কবাণী যোগান ধৰিব নোৱাৰিলে। সময় মতে বিপদৰ উমান নোপোৱাৰ বাবেই অগণন পৰিয়ালে নিশাটোৰ ভিতৰতে নিজৰ ঘৰ-দুৱাৰ, গৰু-ছাগলী আৰু সা-সম্পদ উটুৱাই দিবলগীয়া হ'ল। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে শিৱসাগৰৰ দৰে বিশাল এলেকাত জিলা প্ৰশাসনৰ হাতত মাত্ৰ কেইখনমান হে উদ্ধাৰকাৰী নাও আছিল, যাৰ বাবে উদ্ধাৰ প্ৰক্ৰিয়াও চৰম লেহেমীয়া হৈ পৰিল।

ৰাজনৈতিক আৰু নীতিগতভাৱে চালে চৰকাৰৰ অধিকাংশ গণতান্ত্ৰিক আৰু কাগজী প্ৰতিশ্ৰুতি যে কেৱল ফোঁপোলা, সেয়া উন্মোচিত হয়। ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে প্ৰকাশ কৰা 'Assam Vision Document 2016-25' আৰু পৰৱৰ্তী সময়ৰ চৰকাৰী 'সংকল্প পত্ৰ'সমূহত স্পষ্টকৈ প্ৰতিশ্ৰুতি দিয়া হৈছিল যে শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ পৃষ্ঠ গভীৰভাৱে খনন (Dredging) কৰা হ'ব, গৰাখহনীয়া ৰোধৰ বাবে বৈজ্ঞানিক আঁচনি লোৱা হ'ব, নৈপৰীয়া অঞ্চলৰ বাবে বিশেষ বিমা আৰু পুনৰ্বাসনৰ আঁচনি আনি বানপীড়িতসকলক সুৰক্ষিত কৰা হ'ব। কিন্তু বাস্তৱত দেখা গ'ল যে বিগত আঠ-দহ বছৰত ব্ৰহ্মপুত্ৰ বা ইয়াৰ উপনদীসমূহ খননৰ বাবে চৰকাৰে কোনো ড্ৰেজাৰ মেছিন ক্ৰয় নকৰিলে, আনকি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে 'এ'প্ৰেছ হাইৱে' নিৰ্মাণ কৰাৰ যি ফটাঢোল বজোৱা হৈছিল, সেয়া কেন্দ্ৰীয় মন্ত্ৰীৰ নিৰ্দেশতে কেৱল এক ভুৱা প্ৰতিশ্ৰুতি বুলি প্ৰমাণিত হ'ল। তাতোকৈ আশ্চৰ্যজনক কথাটো হ'ল, ২০২১-২২ বৰ্ষত বাজেটত 'আগতীয়া সতৰ্কবাণী ব্যৱস্থা' আৰু 'দূৰসংবেদন প্ৰযুক্তি' সংস্থাপন কৰাৰ বাবে ডাঙৰ ডাঙৰ ঘোষণা কৰা হৈছিল যদিও বাস্তৱৰ জৰুৰী মুহূৰ্তত প্ৰশাসনৰ হাতত তাৰ কোনো সুফল দেখিবলৈ পোৱা নগ'ল। তদুপৰি, ১৫ সংখ্যক বিত্ত আয়োগে নদীৰ খহনীয়াক প্ৰাকৃতিক দুৰ্যোগ হিচাপে গণ্য কৰি ক্ষতিপূৰণ দিয়াৰ পৰামৰ্শ আগবঢ়োৱা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰে অসমৰ দৰে বিপন্ন ৰাজ্যখনক 'ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য পুঁজি' (NDRF)ৰ পৰা প্ৰয়োজনীয় ধন যোগান ধৰাৰ পৰা ধাৰাবাহিকভাৱে বঞ্চিত কৰি আহিছে। ২০২৪ চনৰ বানত অসমৰ প্ৰায় ৫৩৪.৮৫ কোটি টকাৰ ক্ষতি হোৱাৰ বিপৰীতে ডাবল ইঞ্জিন চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰালয়ে অসমলৈ মাত্ৰ ২৯.০২ কোটি টকা আৱণ্টন দিলে, আনহাতে অন্যান্য ৰাজ্যক হাজাৰ কোটি টকাকৈ সাহায্য দিলে।

প্ৰতিটো বানৰ সময়ত দায়িত্বশীল মন্ত্ৰী-বিধায়কসকলে আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি কেমেৰাৰ সন্মুখত ফট'শ্বুট কৰা, সাময়িক চাউল-দাইল, টিৰ্পাল আৰু সামান্য পইচাৰ অনুদান ঘোষণা কৰি দায়িত্ব সামৰাটো এতিয়া এক গতানুগতিক নিয়মত পৰিণত হৈছে। কিন্তু ৰিলিফৰ চাউলেৰে এটা জাতিৰ অস্তিত্ব আৰু এটা অঞ্চলৰ গ্ৰাম্য অৰ্থনীতি কেতিয়াও সুৰক্ষিত হ'ব নোৱাৰে। অসমৰ সচেতন জনসাধাৰণে চৰকাৰৰ পৰা ভিক্ষা নিবিচাৰে, বিচাৰে নিজৰ সংবিধানপ্ৰদত্ত জীৱন আৰু ভিটিমাটি ৰক্ষাৰ চিৰস্থায়ী অধিকাৰ। ইয়াৰ বাবে চৰকাৰে সীমান্তৱৰ্তী নাগালেণ্ড চৰকাৰৰ সৈতে যৌথভাৱে উচ্চস্তৰীয় পাৰিপাৰ্শ্বিক বৈঠক পাতি পাহাৰ ধ্বংস, অবৈজ্ঞানিক খনন আৰু বনাঞ্চল কটা সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগিব। নদীসমূহৰ বুকুৰ পৰা কোটি কোটি টন গেদ আধুনিক বৈজ্ঞানিক প্ৰযুক্তিৰে আঁতৰাই নদীৰ পানী ধাৰণ ক্ষমতা বৃদ্ধি কৰিব লাগিব। কেৱল পকা মথাউৰি নিৰ্মাণৰ নামত বাজেটৰ টকা লুট-পাত কৰা ঠিকা-প্ৰথা বন্ধ কৰি জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ বিষয়াসকলক দুৰ্যোগ প্ৰশমনৰ বাবে পোনপটীয়াকৈ জবাবদিহি কৰিব লাগিব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— অসমৰ এই বানপানী আৰু গৰাখহনীয়াক কেন্দ্ৰীয় চৰকাৰে অৱশেষত 'ৰাষ্ট্ৰীয় বিশেষ দুৰ্যোগ' হিচাপে ঘোষণা কৰি এক সুসংহত, দীৰ্ঘম্যাদী বৈজ্ঞানিক গুৰু-প্ৰকল্প হাতত ল'ব লাগিব। যেতিয়ালৈকে চৰকাৰে এনেধৰণৰ বাস্তৱমুখী পদক্ষেপ গ্ৰহণ নকৰে, তেতিয়ালৈকে প্ৰতিবছৰে অসমৰ ৰাইজে চৰকাৰী ব্যৰ্থতা আৰু প্ৰকৃতিৰ সংহাৰৰ মাজত এনেদৰেই নিজৰ অস্তিত্ব আৰু স্বকীয়তা হেৰুৱাই অনাগত দিনত কাৰুণ্যৰ চকুলো টুকিবলগীয়া হ'ব।

# আঁচনিৰ সুখ বনাম বানৰ দুখ

**খগেশ্বৰ দাস**

সাম্প্ৰতিক সময়ত ৰূপহী অসমত বিশেষকৈ মধ্যবিত্ত পৰিয়ালৰ মাজত দেখা পোৱা যায় ইটোৰ পাছত সিটো চৰকাৰী আঁচনি। জনসাধাৰণৰ ভোটেৰে জয়ী হোৱা চৰকাৰখনে নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ যাওঁতে বাৰুকৈ সৃষ্টি কৰিব লগীয়া হয় নতুন আঁচনি। তাতে জড়িত হৈ থাকে ৰাজনীতিবিদ সকলৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি। কিন্তু কেতিয়াবা কেতিয়াবা আকৌ আঁচনি সমূহ নিৰ্দিষ্ট পাবলগীয়া জনে নাপায় আৰু অন্য কোনোবাই পায় ইত্যাদি কথা শুনা যায়।

বাৰু এটা কথা কওঁ, চৰকাৰৰ কিছু ক্ষন্তেকীয়া বা একঁকালীনমূলক আঁচনিয়ে বহু সময়ত এটা শ্ৰেণীৰ মানুহক উপকৃত কৰে ঠিক, কিন্তু স্থায়ী সমস্যা সমাধানৰ ক্ষেত্ৰত হাজাৰজন মানুহ অসুবিধাত পৰে। গতিকে সাধাৰণ জনসাধাৰণে হিতাধিকাৰী আঁচনিক অধিক গুৰুত্ব দিয়াতকৈ স্থায়ী সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰাটো অত্যন্ত প্ৰয়োজন। আঁচনিয়ে ব্যক্তিগত হিতাধিকাৰীক সুখ দিয়ে ঠিক, কিন্তু স্থায়ী বা আঞ্চলিক সমস্যাৰ ক্ষেত্ৰত কষ্ট দিয়ে। আজি অসমৰ পৰিস্থিতি ইমানেই ভয় লগা হৈছে যেন মানুহে জীয়াই থকাই টান হৈ পৰিছে। ২০২৬ চনৰ জুলাই মাহৰ প্ৰলয়ংকাৰী বলীয়া বানে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰায় ১৬ খনকৈ জিলাৰ জনজীৱন যাত্ৰা স্তব্ধ কৰি পেলাইছে। বহু মানুহ মৃত্যু মুখত পৰিছে। পশুধনৰ মৃত্যুৰ লগতে সা-সম্পত্তি পানীত জাহ গৈছে। ধুনীয়া গাঁওখন সাগৰ সদৃশ হৈছে। চৌদিশে কেৱল অন্ধকাৰময় পৰিৱেশ।

প্ৰতি বছৰে এই বানপানী আৰু গৰাখহনীয়াই অসমৰ লক্ষ মানৱ জীৱন, সা-সম্পত্তি ধ্বংস কৰি অহা পৰিলক্ষিত হৈছে। বিশেষকৈ চহা কৃষকৰ পথাৰ, পশুধন আৰু মূৰ গুজি থকা ঘৰটোও বানৰ বুকুত জাহ গৈছে। এনে এক ভয়াৱহ পৰিস্থিত চৰকাৰে বিভিন্ন উন্নয়নমূলক হিতাধিকাৰী আঁচনিৰ সৃষ্টিৰ জৰিয়তে আগবঢ়োৱা সাময়িক বিত্তীয় সাহায্য বা অনুদানে এই বানপীড়িত বৰ্ন্যাতৰ দুখ-দুৰ্দশা কোনো কালেই উপশম কৰিব নোৱাৰে। একো একোটা ক্ষুদ্ৰ ধনাত্মক আঁচনিৰ সুখে মানুহক ক্ষন্তেকীয়া সকাহ দিয়ে ঠিক। কিন্তু স্থায়ী সুৰক্ষাৰ অভাৱত বানৰ চিৰস্থায়ী দুখে জীৱন যাত্ৰা বাৰুকৈ জুৰুলা কৰি পেলাই। আচলতে, আমি সকলোৱে এটা কথা বুজি পাব লাগিব যে "আঁচনি" হৈছে বানৰ পিছৰ এটা মলম, কিন্তু "বান" ৰোগটোৰ চিকিৎসা নহয়। প্ৰতি বছৰে কোটি কোটি টকা সাহায্য হিচাপে দিয়া হয়, কিন্তু সেই টকা যদি ব্ৰহ্মপুত্ৰ খন্দন, বিজ্ঞানসন্মত মথাউৰি নিৰ্মাণ, নদীৰ পাৰ সংৰক্ষণত খৰচ কৰা হয় তেন্তে প্ৰত্যেক বছৰৰ এই ক্ষতি ৰোধ কৰিব পৰা যাব। আজি অসমক প্ৰকৃততে আত্মনিৰ্ভৰশীল কৰিবলৈ হ'লে চৰকাৰে নিৰ্বাচনমুখী সুলভ আঁচনিতকৈ নদী ব্যৱস্থাপনা আৰু মথাউৰি নিৰ্মাণৰ দৰে স্থায়ী বৈজ্ঞানিক সমাধানক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াটো অত্যন্ত প্ৰয়োজন। উদাহৰণস্বৰূপে ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ বৈজ্ঞানিক খন্দন, ভূটান আৰু অৰুণাচলৰ পানীৰ বাবে আন্তঃৰাজ্যিক চুক্তি, বানপানীৰ আগতীয়াকৈ সতৰ্কবাণী আৰু সুৰক্ষিত আশ্ৰয়স্থল নিৰ্মাণ, গৰাখহনীয়া ৰোধ কৰিবলৈ জিঅ'-বেগ আৰু বৃক্ষৰোপণ আদি অন্যতম। এই মুহূৰ্তত অসমৰ মানচিত্ৰত এনে কেইখন জিলা আছে যি নেকি বানৰ বিভীষিকা কৱলত। য'ত কোনো কালেই বানপানী হোৱা নাই তাত আজি প্ৰলয়ংকাৰী বান হৈছে। পিছে কিয়? নিশ্চয় উপযুক্ত মথাউৰিৰ অভাৱ, নদীৰ অৱবাহিকাৰ অনিয়ন্ত্ৰিত দখল আৰু জলবায়ু পৰিৱৰ্তন ইয়াৰ এটা মূল কাৰণ।

গতিকে, আগন্তুক দিনত অসমৰ প্ৰতিজন নাগৰিকে কেৱল ক্ষন্তেকীয়া আঁচনিৰ সুখতকৈ স্থায়ী সমস্যা সমাধান যেনে বানৰ কবলৰ পৰা মুক্তি পাবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাব লাগে। আমি ভোটৰ সময়ত আঁচনি নিবিচাৰি, "বানমুক্ত অসম"ৰ প্ৰতিশ্ৰুতি বিচাৰিব লাগে। সেয়ে আঁচনিৰ সুখতকৈ বানৰ দুখৰ পৰা পৰিত্ৰাণ পাবলৈ ঐক্যবদ্ধ হ'ব লাগে সকলোৱে। কাৰণ, আঁচনিয়ে পেটৰ ভোক মাৰে, কিন্তু বানে ভৱিষ্যৎ খাই পেলায়। এতেকে আগন্তুক দিনত চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ লগতে সাধাৰণ জনতাই এই ক্ষেত্ৰত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে সেয়ে হ'ব এক পৰিতাপৰ বিষয়।

# ব্ৰহ্মপুত্ৰ অঞ্চলত এতিয়াও জলবন্দী সহস্ৰাধিক লোক

## কলৰ ভূঁৰেই একমাত্ৰ ভৰসা

**অসম বাৰ্তা, নুমলীগড়, ৩০ জুলাই ঃ** বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলত এতিয়াও বান পৰিস্থিতি উন্নত হোৱা নাই। অবিৰত বানপানীয়ে অঞ্চলটোৰ জনজীৱন সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি তুলিছে। ইতিমধ্যে এই ভয়াৱহ বানত এজন লোকৰ মৃত্যুৰ ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলোৱাৰ লগতে বানাক্ৰান্ত লোকসকলৰ উদ্বেগ আৰু আশংকা অধিক বৃদ্ধি কৰিছে। ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন গাঁও আজিও বানপানীত আবদ্ধ হৈ আছে। বিশেষকৈ পুৰণিমাটি ভকতগাঁৱৰ এটা অংশ এতিয়াও সম্পূৰ্ণ জলবন্দী হৈ আছে। গাঁওখনৰ মূল সংযোগী পথ এডিঙি পৰ্যন্ত পানীত ডুব যোৱাত বাসিন্দাসকলে ঘৰ এৰিওলাই অহাটোও দুৰূহ হৈ পৰিছে। প্ৰতিদিনৰ নিত্যপ্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহৰ পৰা আৰম্ভ কৰি চিকিৎসা সেৱা লাভ কৰালৈকে সকলো ক্ষেত্ৰতে চূড়ান্ত দুৰ্ভোগ ভুগিছে স্থানীয় ৰাইজে। বলিয়া বানে অঞ্চলটোৰ শ শ বিঘা কৃষিভূমি পানীৰ তলত ডুবাই পেলোৱাত কৃষকসকলৰ সপোন আৰু জীৱিকাৰ মূল আধাৰ মুহূৰ্ততে ধ্বংসস্তুপত পৰিণত হৈছে। ধানখেতি, শাক-পাচলি আৰু অন্যান্য শস্য সম্পূৰ্ণ নষ্ট হোৱাৰ উপক্ৰম হোৱাত আগন্তুক দিনত কৃষকসকল অধিক আৰ্থিক সংকটৰ সন্মুখীন হ'ব লাগিব বুলি আশংকা প্ৰকাশ কৰিছে স্থানীয় লোকে। গেলাবিল নদীৰ বানে কণমানি শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ-বৃদ্ধালৈকে সকলোকে গভীৰ সংকটত পেলাইছে। বহু পৰিয়াল দিনৰ পিছত দিন গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। বিশুদ্ধ খোৱাপানী, খাদ্য সামগ্ৰী, ঔষধ আৰু অন্যান্য নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অভাৱত বহু পৰিয়াল অমানৱীয় কষ্টৰ মাজেৰে দিন অতিবাহিত কৰিব লগীয়া হৈছে বুলি স্থানীয় লোক সকলে আক্ষেপ প্ৰকাশ কৰে। বানাক্ৰান্তসকলৰ অভিযোগ, দুৰ্যোগৰ এনে কঠিন সময়তো তেওঁলোকলৈ এতিয়াও প্ৰশাসনৰ পৰা পৰ্যাপ্ত সহায়-সহযোগিতা অহা নাই। এই দুৰূহ পৰিস্থিতিৰ মাজতে অতি কষ্টসাধ্য পথ অতিক্ৰম কৰি বানপীড়িত লোকসকলৰ সঠিক সা-সুবিধাৰ কথা বুজ লবলৈ যোৱা সংবাদ সেৱী সকল বান পীৰিতৰ কাষ চপাত ওচৰৰ পৰা দেখা এই বান দুৰ্যোগৰ ছবিয়ে স্পষ্টকৈ প্ৰকাশ কৰিছে এক কৰুণ বাস্তৱতাৰ নিদাৰুন ছবি। য'ত বহু পৰিয়ালে এতিয়াও চৰকাৰী সাহায্যৰ অপেক্ষাত দিন কটাই আছে। ইফালে, ব্ৰহ্মপুত্ৰ অঞ্চলৰ কোবাল গাঁৱৰ পৰা পোহৰলৈ আহিছে এক হৃদয়বিদাৰক দৃশ্য। জলবন্দী হৈ থকা এগৰাকী যুৱতী হঠাতে অসুস্থ হৈ পৰাত চিকিৎসালয়লৈ নিয়াৰ কোনো পথ নাছিল। ফলত পৰিয়ালৰ লোকে আৰু স্থানীয় ৰাইজে কলগছৰ ভূঁৰি বান্ধি প্ৰস্তুত কৰা অস্থায়ী ভেলাৰ সহায়ত জীৱনৰ বিপদকো নেওচি তেওঁক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। এই দৃশ্যই বানাক্ৰান্ত অঞ্চলত যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে ভাঙি পৰা বাস্তৱ ছবিখন পুনৰবাৰ উদঙাই দিয়ে। স্থানীয় লোকসকলে অভিযোগ কৰে যে চৰকাৰ আৰু প্ৰশাসনৰ পৰা সময়মতে উপযুক্ত সঁহাৰি লাভ নকৰাত তেওঁলোক গভীৰ হতাশা আৰু নিৰাশাত ভুগি ক্ষোভিত হৈ পৰিছে। বানপানীৰ মাজত অসুস্থ ব্যক্তি, শিশু আৰু বৃদ্ধসকলৰ বাবে পৰিস্থিতি দিনক দিনে অধিক জটিল হৈ পৰিছে। তেওঁলোকে শীঘ্ৰে উদ্ধাৰ, চিকিৎসা, খাদ্য, বিশুদ্ধ খোৱাপানী আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ যোগান নিশ্চিত কৰাৰ দাবী জনাইছে। দেৰগাঁৱৰ বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলত আজিও যেন কেৱল পানী আৰু হাহাকাৰ। প্ৰকৃতিৰ এই কঠিন পৰীক্ষাৰ মাজত জীৱন ৰক্ষাৰ সংগ্ৰাম অব্যাহত ৰাখিছে হাজাৰ হাজাৰ বানাক্ৰান্ত লোকে। এতিয়া তেওঁলোকৰ একমাত্ৰ আশা- চৰকাৰ আৰু প্ৰশাসনে অতি সোনকালে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি এই দুৰ্দশাৰ পৰা উদ্ধাৰ কৰিব।

হাতে-লোটে ধৰি তাৰাবাৰী আৰক্ষীৰ হাতত চমজাই দিলে ৰাইজে; তদন্ত আৰম্ভ

# বহৰি বজাৰত মোবাইল চুৰিৰ অভিযোগত এজন আটক

**অসম বাৰ্তা, চেঙা, ৩০ জুলাই ঃ** বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বহৰি সাপ্তাহিক বজাৰত মোবাইল চুৰিৰ অভিযোগত এজন লোকক হাতে-লোটে আটক কৰাৰ ঘটনাই বৃহস্পতিবাৰে অঞ্চলজুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰে। বজাৰৰ ব্যস্ততাৰ সুযোগ লৈ সংঘটিত হোৱা বুলি অভিযোগ উত্থাপিত এই ঘটনাত উপস্থিত ৰাইজৰ তৎপৰতাৰ ফলতেই অভিযুক্ত বুলি অভিযোগ কৰা লোকজন পলায়ন কৰিবলৈ সক্ষম নহ'ল। জানিব পৰা মতে, আটক হোৱা লোকজনৰ নাম চুকুৰ আলী। তেওঁৰ পিতৃৰ নাম আহমেদ হুছেইন। তেওঁ ধুবুৰী জিলাৰ বিলাসীপাৰা থানাৰ অন্তৰ্গত বিলাসীপাৰা অঞ্চলৰ বাসিন্দা বুলি জানিব পৰা গৈছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, বহৰি সাপ্তাহিক বজাৰত দীৰ্ঘদিন ধৰি মোবাইল চুৰিৰ দৰে ঘটনা সংঘটিত হৈ আহিছিল। বজাৰত ভিৰ বেছি হোৱাৰ সুযোগ লৈ একাংশ দুষ্টচক্ৰই সক্ৰিয় হৈ থকা বুলি ব্যৱসায়ী আৰু ক্ৰেতাসকলৰ মাজত দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপিত হৈছিল। বৃহস্পতিবাৰে পুনৰ এজন লোকৰ মোবাইল চুৰি কৰাৰ অভিযোগ উত্থাপিত হোৱাৰ পিছতে উপস্থিত লোকসকলে সন্দেহভাজন ব্যক্তিজনক খেদি ধৰি আটক কৰে। পিছত তেওঁৰ পৰা চুৰি হোৱা বুলি অভিযোগ কৰা মোবাইল উদ্ধাৰ হোৱা বুলি স্থানীয় লোকসকলে দাবী কৰে। ঘটনাৰ খবৰ লাভ কৰাৰ লগে-লগে তাৰাবাৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আটক কৰা ব্যক্তিজনক নিজৰ জিম্মাত লয়। আৰক্ষীয়ে ঘটনাটোৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। ইয়াৰ লগতে পূৰ্বতে সংঘটিত মোবাইল চুৰিৰ ঘটনাসমূহৰ সৈতেও অভিযুক্তজনৰ কোনো সম্পৰ্ক আছে নেকি, সেই বিষয়েও তদন্ত চলোৱা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, শেহতীয়া সময়ছোৱাত তাৰাবাৰী আৰক্ষীয়ে চাইবাৰ অপৰাধ, ড্ৰাগছ সৰবৰাহ, জুৱা, চুৰি আৰু অন্যান্য অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে কঠোৰ অভিযান চলাই আহিছে। সেই অভিযানসমূহৰ ফলত একাধিক অপৰাধী গ্ৰেপ্তাৰ হোৱাৰ লগতে বহু অপৰাধমূলক কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। এই ঘটনাৰ পিছত স্থানীয় ৰাইজে আৰক্ষীৰ তৎপৰতাক আদৰণি জনাই অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰু অধিক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ৰাইজৰ মতে, আৰক্ষী আৰু সাধাৰণ জনতাৰ সমন্বিত প্ৰচেষ্টাৰ ফলতেই এনে অপৰাধমূলক কাৰ্যকলাপ ৰোধ কৰাটো অধিক সহজ হ'ব। উল্লেখ্য যে, অভিযুক্তজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ সত্যতা আৰক্ষীৰ তদন্ত আৰু আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে নিশ্চিতভাৱে স্পষ্ট হ'ব। তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই কয় যে অপৰাধ যিমান চতুৰ নহক কিয় অপৰাধীৰ ঠাই সমাজত নহৈ জেল হাজোততহে।

# মৰিগাঁৱত জিলা পথ সুৰক্ষা সমিতিৰ সভা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ জুলাই ঃ** মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত আজি জিলা আয়ুক্ত অনামিকা তেৱাৰী, ACS-ৰ সভাপতিত্বত জিলা পথ সুৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত মৰিগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা, মৰিগাঁৱৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, মৰিগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া, জিলা পৰিবহণ বিষয়া তথা সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সভাত জিলাখনৰ বৰ্তমান পথ সুৰক্ষাৰ পৰিস্থিতিৰ বিস্তৃত পৰ্যালোচনা কৰাৰ লগতে যান-বাহন ব্যৱস্থাপনা অধিক শক্তিশালী কৰা, পথ সুৰক্ষা আন্তঃগাঁথনি উন্নত কৰা, যান-চলাচলৰ নিয়মসমূহৰ ফলপ্ৰসূ প্ৰয়োগ নিশ্চিত কৰা আৰু পথ সুৰক্ষাৰ বিষয়ে জনসচেতনতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থাৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে পথ দুৰ্ঘটনা প্ৰতিৰোধ আৰু জিলাখনত পথ সুৰক্ষাৰ ব্যৱস্থাসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সকলো সংশ্লিষ্ট বিভাগৰ মাজত সমন্বিত আৰু সুসংহত প্ৰচেষ্টাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

## ১৪খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন; বানপীড়িতলৈ ১০ হাজাৰ অনুদান

# প্ৰলয়ংকাৰী বানৰ মাজতে দয় কাও ৰং একাডেমীৰ ১৩ শিশু-সাহিত্যিকৰ সামাজিক দায়বদ্ধতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুলাই ঃ** উজনি অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ মাজতে দয়-কাও-ৰং একাডেমীয়ে সাহিত্য আৰু সমাজসেৱাৰ এক অনন্য দৃষ্টান্ত স্থাপন কৰে। একাডেমীয়ে পূৰ্বনিৰ্ধাৰিত আড়ম্বৰপূৰ্ণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান বাতিল কৰি আজি আবেলি পাঁচ বজাত ডিব্ৰুগড়ৰ নগাখেলিয়াস্থিত 'দয়-কাও-ৰং পথ-পুথিভঁৰাল'ৰ সমীপত এক অনাড়ম্বৰ পৰিৱেশত ১৩ গৰাকী শিশু-সাহিত্যিকৰ ১৪ খন শিশু-উপন্যাসৰ প্ৰতীকী উন্মোচন সম্পন্ন কৰে। উন্মোচিত উপন্যাসসমূহ হ'ল - ইমন বেজবৰুৱাৰ 'সাঁচিপতীয়া পুথিৰ ৰহস্যৰ পম খেদি', কলচুম বিবিৰ 'ৰৈ ৰৈ উৰিবি অ' চিত পখিলী', কাকলি নেওগৰ 'নতুন দিনৰ জলমল পৃথিৱী', কুইলিন কাকতিৰ 'অমনৰ অসম ভ্ৰমণ', গায়ত্ৰী গগৈৰ 'সপোন দেখোঁ আহাঁ', মন্দিৰা চুতীয়াৰ 'এন্ধাৰ আঁতৰি যায়' আৰু 'ঋষিৰ ডিবৰু ভ্ৰমণ', মীনাক্ষী বৰাৰ 'মনোমোহা গহপুৰ ৰূপে-গুণে ভৰপূৰ', মৌচুমী নেওগৰ 'প্ৰতীতি', মৌচুমী বৰঠাকুৰৰ 'জোন আৰু জিলমিলৰ তেজপুৰ দৰ্শন', ৰাজু ৰাণী শইকীয়াৰ 'পোহৰৰে চাকিগছি আমি জ্বলামেই এদিন জ্বলাম', ৰীতা কোঁৱৰৰ 'জুম্বা', সংগীতা পাৰে মৰাঙৰ 'বড়াৰ পো'ৰ দেশত জিকমিকৰ এদিন' আৰু সান্ত্বনা চেলেঙৰ 'ৰূপালী দেশৰ সোণালী কথা'। উক্ত উপন্যাস কেইখন নীৰজ, ঋত আৱাহন, ভাস্কৰ, ডিম্পল, নয়ণমণি, ময়ূখ আদি স্থানীয় শিশু-কিশোৰসকলে প্ৰতীকীভাৱে উন্মোচন কৰে। উল্লেখ্য যে, ২৫ জুলাইত ডিব্ৰুগড়ত এই গ্ৰন্থসমূহৰ উন্মোচনী সভা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু ভয়াবহ বান পৰিস্থিতিৰ বাবে অনুষ্ঠানটো বাতিল কৰা হয়। ইয়াৰ পৰিৱৰ্তে আয়োজক সকলে আজি অনাড়ম্বৰ আৰু প্ৰতীকী উন্মোচনৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলেও অসমৰ বিভিন্ন প্ৰান্তৰ শিশু সাহিত্যিক সকলে ৰাজ্যখনৰ একাংশ লেখকৰ দ্বাৰা গঠিত "যাত্ৰা" হোৱাটছএপ গোটৰ জৰিয়তে বানপীড়িতসকলৰ বাবে ১০ হাজাৰ টকাৰ অনুদান আগবঢ়ায়। সাহিত্যচৰ্চাৰ সমান্তৰালভাৱে সামাজিক দায়বদ্ধতাৰ এই নিৰ্দশনে বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। দয়-কাও-ৰং একাডেমিৰ সঞ্চালক টুনুজ্যোতি গগৈয়ে কয় যে প্ৰাকৃতিক বা সামাজিক সংকটৰ সময়ত সাহিত্যিক সকলৰ ভূমিকা কেৱল সৃষ্টিশীলতাৰ মাজতে আবদ্ধ হৈ নাথাকে; আৰ্তজনৰ কাষত থিয় হোৱাটোও তেওঁলোকৰ এক নৈতিক দায়িত্ব। তেওঁ লগতে কয় যে এই ১৪খন শিশু-উপন্যাস একাডেমিৰ উদ্যোগত আয়োজিত শিশু-সাহিত্য কৰ্মশালাৰ ফচল। অনুষ্ঠানত দয়-কাও-ৰং পথ-পুথিভঁৰালৰ নিয়মীয়া পাঠক-পাঠিকাৰ লগতে মোহনাঘাট অঞ্চলৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# নামৰূপত নৱ-ভাৰত সাক্ষৰতা আঁচনি-নিৰক্ষৰক সাক্ষৰ কৰাৰ সজাগতা সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুলাই ঃ** ভাৰত চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ সাক্ষৰতা আঁচনি অসম চৰকাৰৰ অধীনত ডিব্ৰুগড় জিলাত নৱ -ভাৰত সাক্ষৰতা আঁচনিৰ বৰ্তমানে জৰীপ চলাই থকা হৈছে। এই আঁচনিৰ উদেশ্য হ'ল ডিব্ৰুগড়ত বিশেষকৈ চাহ বাগিছা অঞ্চল সমূহক সামৰি নিৰক্ষৰ সমাজক চিনাক্ত কৰি তেখেত সকলক সাক্ষৰ কৰি তোলাৰ বাবে এই আচঁনিৰ উদেশ্য। অসমৰ অনানুষ্ঠানিক প্ৰাপ্তবয়স্ক লোকক শিক্ষা বিভাগৰ দ্বাৰা জিলাৰ দায়িত্ব পালন কৰা পৰ্যবেক্ষক সকলে নিৰক্ষৰ সমাজক চিনাক্ত কৰি সঠিক সময়ত শিক্ষাৰ ব্যৱস্থা কৰি পৰীক্ষাত উত্তীৰ্ণ কৰা। এই ক্ষেত্ৰত নিৰক্ষৰ অঞ্চলত অৱস্থিত স্বেচ্ছাসেৱক হিচাপে লৈ জৰীপ চলাই চিনাক্ত কৰা হৈছে। এই উদ্দেশ্যে ডিব্ৰুগড় জিলাৰ নামৰূপৰ চাহ বাগিছা প্ৰাথমিক বিদ্যালয়ৰ অধীনত প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ পৰ্যবেক্ষক তথা জিলা সমন্বয়ক হেমন্ত হাজৰিকা, সহকাৰী সমন্বয়ক অনিল প্ৰসাদ সিংহ পৰ্যবেক্ষক সানলী ফুকন, পৰশমণি হাজৰিকা, মুখ্য প্ৰশিক্ষক সাগৰ তাঁতি, নামৰূপ চাহ বাগিছা প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক আশিস নাগ আৰু জৰীপকাৰী স্বেচ্ছাসেৱক -মঞ্জিতা নন্দ, দিপাঞ্জলী চাওৰা, হৰবী বাড়া, হিৰামনি পাত্ৰ, মহিমা কৰ্মকাৰ আদি সজাগতা সভাত উপস্থিত থাকে। জিলাৰ প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ জিলা সমন্বয়ক হেমন্ত হাজৰিকাই উপস্থিত নিৰক্ষৰ সমাজক কেনেকৈ এই আঁচনিৰ দ্বাৰা উপকৃত কৰিব পাৰে তাৰে কিছু ব্যাখ্যা দাঙি ধৰে। জিলা প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ সহকাৰী সমন্বয়ক অনিল প্ৰসাদ সিংহ ই নামৰূপৰ চাৰ্ভে কৰা সকলৰ দ্বাৰা চিনাক্ত কৰি এই আঁচনি কেনেকৈ লিখিব পঢ়িবলৈ পোৱা যায় তাৰ ওপৰত আলোকপাত কৰে। লগতে জয়পুৰৰ শিক্ষা খন্দৰ অধীনৰ মুখ্য প্ৰশিক্ষক সাগৰ তাঁতিৰড় সহযোগত জয়পুৰৰ প্ৰতিটো শিক্ষা খন্দৰ অধীনত জৰীপ চলাই থকা স্বেচ্ছাসেৱক সকলক প্ৰশিক্ষণ দি চাৰ্ভে কৰাই এই নিৰক্ষৰ সমাজক চিনাক্ত কৰি শিক্ষিত কৰি তোলাৰ বাবে চেষ্টা চলাই থকা হৈছে।

# এনএইচপিচিৰ নতুন সঞ্চালক হিচাপে

মঙলবাৰে কোম্পানীটোৰ পৰিচালক মণ্ডলীয়ে এই পদত তেওঁৰ নিযুক্তিৰ বাবে অনুমোদন জনাইছিল। কোম্পানীটোৰ এক্সচেঞ্জ ফাইলিঙত উল্লেখ কৰা অনুসৰি, ৰণপাৰা এনএইচপিচিৰ কোনো পৰিচালক বা কৰ্মকৰ্তাৰ সৈতে সম্পৰ্কিত নহয়। লগতে ভাৰতীয় ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড (SEBI) বা আন কোনো নিয়ামক কৰ্তৃপক্ষই তেওঁক সঞ্চালক পদত অধিষ্ঠিত হ'বলৈ কোনো প্ৰতিবন্ধকতা বা নিৰ্দেশ জাৰি কৰা নাই, যাৰ ফলত তেওঁৰ নিযুক্তি সম্পূৰ্ণৰূপে বৈধ আৰু স্বচ্ছ হৈ পৰিছে। ইতিপূৰ্বে দাখিল কৰা তথ্য আৰু শক্তি মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি, চলিত বৰ্ষৰ ২৭ জুলাইত পৰেশ ৰণপাৰাক অতিৰিক্ত সঞ্চালক আৰু সঞ্চালক (কাৰ্যকৰী) হিচাপে নিযুক্তি দিয়াৰ বাবে এনএইচপিচিৰ পৰিচালক মণ্ডলীয়ে সন্মতি প্ৰদান কৰিছিল। সেইমতে তেওঁ ৩০ জুলাইত সঞ্চালক (কাৰ্যকৰী) পদত যোগদান কৰে। উল্লেখযোগ্য যে ৰণপাৰা সমগ্ৰ শক্তি খণ্ডত এক চহকী আৰু বৈচিত্ৰময় কেৰিয়াৰৰ অধিকাৰী। তেওঁ নিজৰ কাৰ্যকালত ৰাজ্যিক আৰু কেন্দ্ৰীয় দুয়োটা স্তৰৰ ৰাজহুৱা খণ্ডৰ উদ্যোগতে সেৱা আগবঢ়াই আহিছে। গুজৰাটৰ শক্তি খণ্ডৰ কোম্পানী এমজিভিচিএল আৰু জিইউভিএনএলত কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত তেওঁ কোম্পানীসমূহৰ ক্ৰমবৰ্ধমান চাহিদা পূৰণৰ বাবে বৃহৎ পৰিসৰৰ নিযুক্তি অভিযান সফলভাৱে পৰিচালনা কৰিছিল। ২০২৩ চনৰ মে' মাহত ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (পিএছইউ) ত দীৰ্ঘদিনীয়া আৰু ফলপ্ৰসূ কাৰ্যকাল সম্পূৰ্ণ কৰি ৰণপাৰাই গ্ৰিড কণ্ট্ৰ'লাৰ অৱ ইণ্ডিয়া লিমিটেড (গ্ৰিড-ইণ্ডিয়া)ত 'অনুসূচী ক'ৰ অন্তৰ্গত কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সঞ্চালক হিচাপে যোগদান কৰিছিল। তাত তেওঁ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি দক্ষতাৰ পৰিচয় দিয়ে। এই নিযুক্তিৰ জৰিয়তে এনএইচপিচি লিমিটেডে অভিজ্ঞ আৰু যোগ্য নেতৃত্ব লাভ কৰিছে। শক্তি মন্ত্ৰালয়ৰ অধীনস্থ এই নৱৰত্ন ৰাজহুৱা খণ্ডৰ উদ্যোগটোৰ মানৱ সম্পদ বিভাগৰ সঞ্চালক হিচাপে ৰণপাৰাই কোম্পানীটোৰ কাৰ্মিক নীতি আৰু প্ৰশাসনিক কাৰ্যবাহাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## যোগাত্মক সহযোগিতাৰ প্ৰতিশ্ৰুতি কৰ্তৃপক্ষৰ

# বানত ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশেষ পুঁজি আবণ্টনৰ দাবীত অ' এন জি চি, অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকলৈ পত্ৰ আছুৰ সাধাৰণ সম্পাদকৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৩০ জুলাই ঃ** শেহতীয়াকৈ প্ৰলয়ংকৰী বানপানীয়ে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ব্যাপক ক্ষতিসাধন কৰাৰ লগতে জিলা কেইখনৰ অধিকাংশ স্থানেই বানৰ কবলত পৰাত জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ উপৰিও বহুতো ৰাজহুৱা খণ্ডৰ সা-সম্পত্তিৰো ক্ষতি হৈছে। বিশেষকৈ চৰকাৰী খণ্ডৰ বহু সংখ্যক শিক্ষানুষ্ঠান বানৰ কবলত পৰাত শিক্ষানুষ্ঠান সমূহৰ যাৱতীয় আন্তঃগাঁথনি বিধ্বস্ত হৈ পৰিছে। যাৰ ফলত এই শিক্ষানুষ্ঠান সমূহত পুনৰ পাঠদান আৰম্ভ কৰাৰ ক্ষেত্ৰত ব্যাপক সমস্যাই দেখা দিয়াৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। এই সন্দৰ্ভত শিক্ষানুষ্ঠান সমূহক আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশেষ পুঁজি আবণ্টন জনোৱাৰ দাবীত আজি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে অ' এন জি চি, অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এক বিবৃতিত আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে জানিবলৈ দিছে। পত্ৰখনত প্ৰলয়ংকৰী বানে সৃষ্টি কৰা তাণ্ডৱৰ ফলত প্ৰভাৱিত হোৱা শিক্ষানুষ্ঠান সমূহত অধ্যয়নৰত শিক্ষাৰ্থী সকলৰ এই সমস্যাৰ বাবে যাতে শৈক্ষিক যাত্ৰাত হেঙাৰ আহি নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে এই শিক্ষানুষ্ঠান সমূহৰ আন্তঃগাঁথনি উন্নয়ন সাধনৰ বাবে বিশেষ পুঁজি আবণ্টন দিবৰ বাবে আহ্বান জনাইছে। এই সন্দৰ্ভত অ'এনজিচি, অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক উদয় পাছোৱানৰ লগত হোৱা টেলিফোনিক বাৰ্তালাপত বিষয়টিত অ'এনজিচি কৰ্তৃপক্ষই যোগাত্মক সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি আছু নেতা গৰাকীয়ে জানিবলৈ দিছে। আছুৰ সাধাৰণ সম্পাদক গৰাকীয়ে পুঁজি আবণ্টনৰ সমান্তৰালভাৱে তাৎক্ষণিকভাৱে শিক্ষানুষ্ঠান সমূহত প্ৰয়োজন হ'ব পৰা আচবাব সমূহ ক্ষিপ্ৰতাৰে যোগান ধৰিব পৰাকৈ সমৰ্থবান হৈ থাকিবৰ বাবেও অ'এনজিচি ৰ কাৰ্যবাহী সঞ্চালক গৰাকীক আহ্বান জনাইছে।

# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ক্লাষ্টাৰৰ বান সাহায্য; বানপীড়িতলৈ আকাশবাণীৰ সমবেদনা জ্ঞাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ জুলাই ঃ** মানৱীয় সেৱাৰ অংশ হিচাপে আকাশবাণী ডিব্ৰুগড়, যোৰহাট, তেজু আৰু অন্যান্য এম চি অৰ্থাৎ ৰিলে কেন্দ্ৰসমূহক সামৰি গঠিত "আকাশবাণী ডিব্ৰুগড় ক্লাষ্টাৰে" আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান মুৰব্বী ইন্দিৰা মৰাংৰ নেতৃত্বত বানপীড়িত লোকসকলৰ বাবে এক বান সাহায্য কাৰ্যসূচী ৰূপায়ণ কৰে। এই পদক্ষেপৰ মূল উদ্দেশ্য আছিল উজনি অসমৰ নিৰ্বাচিত বানাক্ৰান্ত অঞ্চলসমূহত অত্যাৱশ্যকীয় সাহায্য সামগ্ৰী বিতৰণ কৰি বানপীড়িত পৰিয়ালসমূহৰ কাষত থিয় দিয়া আৰু তেওঁলোকলৈ সহমৰ্মিতা প্ৰকাশ কৰা। এই কাৰ্যসূচীৰ জৰিয়তে সংকটৰ সময়ত সমাজ কল্যাণৰ ক্ষেত্ৰত আকাশবাণীৰ দায়বদ্ধতা পুনৰ প্ৰতিফলিত হয়। এই সাহায্য অভিযান আকাশবাণী ডিব্ৰুগড় ক্লাষ্টাৰৰ অনুষ্ঠান, অভিযান্ত্ৰিক শাখা আৰু প্ৰশাসনিক শাখাৰ বিষয়া-কৰ্মচাৰীসকলৰ সমূহীয়া প্ৰচেষ্টাৰে সফলতাৰে সম্পন্ন হয়। দলটোৱে সক্ৰিয়ভাৱে সাহায্য সামগ্ৰী বিতৰণ কৰাৰ লগতে বানপীড়িত লোকসকলৰ সৈতে মত-বিনিময় কৰি আকাশবাণীৰ হৈ সমবেদনা, সহমৰ্মিতা আৰু সহযোগিতাৰ বাৰ্তা আগবঢ়ায়। এই কাৰ্যসূচীত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী ইন্দিৰা মৰাং, অনুষ্ঠান কাৰ্যবাহী পৰশা কোঁৱৰ, অনুষ্ঠান কাৰ্যবাহী এছ. দোৰেন্দ্ৰ সিং, ট্ৰেন্সমিছন এক্সিকিউটিভ জিণ্টু চেতিয়া, জ্যেষ্ঠ অভিযান্ত্ৰিক সহায়ক মুকুল দেউৰী, টেকনিচিয়ান এছ. এছ. দাস, ইউ.ডি.চি. ৰাজা চট্টোপাধ্যায়, ইউ.ডি.চি. ত্ৰিদীপ বৰুৱাকে ধৰি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ক্লাষ্টাৰৰ আন বহুকেইটা কেন্দ্ৰৰ সদস্য উপস্থিত থাকি বানপীড়িত ৰাইজৰ মাজত সামগ্ৰী বিতৰণৰ কাৰ্যসূচী সফল কৰি তোলে।

## যোৰহাট আৰু শিৱসাগৰ জিলাৰ বান আক্ৰান্ত পশুধনৰ বাবে ঘাঁহ যোগান

# নকছাৰিৰ গাঁও প্ৰধানৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, নকছাৰি,** মৰিয়নিৰ সমজিলাৰ অন্তৰ্গত নকছাৰিৰ বলিমৰা ৰাজহ এলেকাৰ গাঁও প্ৰধান বিপুল লাহনৰ প্ৰশংসনীয় কাৰ্যই সকলোৰে মন আকৰ্ষণ কৰিছে। গাঁও প্ৰধান গৰাকীৰ প্ৰদক্ষেপত বান আক্ৰন্ত অঞ্চলৰ পদপথত থকা পোহনীয়া পশুধনৰ বাবে ঘাঁহৰ যোগান ধৰিছে। নকছাৰিৰ বিভিন্ন স্থানৰ পৰা ঘাঁহ কাটি এঠাইত জমা কৰি নিজৰ পুঁজি ক্ৰয় কৰি ট্ৰেক্টৰৰ যোগেদি কহিয়াই ঘৰে-ঘৰে গৈ গোধন আৰু ছাগলী বিলাকক খাবলৈ দিয়ে। তেখেতৰ লগত বিপুল লাহন, প্ৰশান্ত ফুকন, ভাৰ্গৱ লাহন, বাবা হাজৰিকা, শ্বাম কালিন্দী, দেবজিত হাজৰিকা, পুলিন তামোলী, কৃষ্ণ কালিন্দী, কেশ জ্যোতি হাজৰিকাৰ পূৰ্ণ সহযোগত প্ৰথমে যোৰহাট জিলাৰ মুদৈযানৰ পৰা জাজী লৈকে আৰু শিৱসাগৰ জিলাৰ নিমাইজানৰ পশুধনৰ বাবে ঘাঁহ লৈ ঘৰে ঘৰে, বাটে-পথে থকা পশুধনকো যোগান ধৰে। তেখেত সকলৰ এনে কাৰ্য্য দেখি ওচৰৰে বহু ব্যক্তিয়ে আকৌ ঘাঁহৰ লগতে চাপৰ দিয়াৰ ব্যৱস্থা কৰিছে।

# শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগুৰ কাৰ্যসূচীৰ

ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ কেন্দ্ৰীয় ভঁৰালগৃহৰ পৰা পাঠ্যপুথি ভৰ্তি সাতখন বৃহৎ ট্ৰাক বানপীড়িত জিলাসমূহৰ ফালে ৰাওনা হয়। প্ৰথম পৰ্যায়ত এই তিনিখন জিলাৰ 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ মুঠ ৰ লাখ ৰচ হাজাৰ ৮৪৩ গৰাকী শিক্ষাৰ্থীৰ বাবে প্ৰায় ৯ লাখ কিতাপ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে ইতিমধ্যে 2026– 27 শিক্ষাবৰ্ষৰ বাবে ৰাজ্যৰ সকলো শিক্ষাৰ্থীক বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰা হৈছিল। কিন্তু বানপানীয়ে এই কিতাপবোৰ নষ্ট কৰি দিয়াত চৰকাৰে পুনৰ নতুনকৈ পাঠ্যপুথি দিয়াৰ সিদ্ধান্ত লয়। কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয়, "প্ৰথমতে চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বানবিধ্বস্ত অঞ্চলসমূহৰ ক্ষতিগ্ৰস্ত শিক্ষাৰ্থীসকলক এই পাঠ্যপুথি প্ৰদান কৰা হৈছে। আজি প্ৰথম পৰ্যায়ত সাতখন ট্ৰাকত প্ৰায় ৯ লাখ কিতাপ লৈ উজনিলৈ ৰাওনা হৈছে। 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ সকলো শিক্ষাৰ্থীকে এই কিতাপ বিতৰণ কৰা হ'ব।" শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে বানপীড়িত অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনা যাতে বিঘ্নিত নহয়, তাৰ বাবেই এই বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। স্কুলবোৰ পুনৰ খোলা হ'লেও শিক্ষাৰ্থীসকলৰ হাতত কিতাপ নাথাকিলে পাঠদান কাৰ্য সম্পূৰ্ণ কৰা সম্ভৱ নহয়, সেয়েহে এই কিতাপবোৰ অতি সোনকালে পাই গৈছে বুলি তেওঁ সন্তোষ প্ৰকাশ কৰে। ইফালে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ উদ্যোগতে বানপীড়িত তিনিখন জিলালৈ ১, ২৬৫খন বিছনা চাদৰ আৰু আঁঠুৱাও প্ৰেৰণ কৰা হয়। ইয়াৰে চৰাইদেউ জিলালৈ ৩৫০ খন, যোৰহাট জিলালৈ ৩৫০খন আৰু শিৱসাগৰ জিলালৈ ৫৬৫খন আঁঠুৱা আৰু বিছনা চাদৰ প্ৰেৰণ কৰা হয়। এই সামগ্ৰীবোৰ বানপীড়িত পৰিয়ালসমূহৰ মাজত পুনৰ্বাসন শিবিৰৰ জৰিয়তে বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়া হয়। এই অনুষ্ঠানত পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা, উপাধ্যক্ষ তুলসী বৰঠাকুৰ, পৰিচালন সঞ্চালক এছ এন চৌধাৰীকে ধৰি বহুকেইজন বিষয়া উপস্থিত থাকে। নিগমৰ বিষয়াসকলে কয় যে প্ৰয়োজন অনুসৰি পৰৱৰ্তী পৰ্যায়তো অধিক কিতাপ আৰু সামগ্ৰী প্ৰেৰণ কৰা হ'ব। বানৰ পিছত শিক্ষাৰ্থীসকলৰ পাঠদান কাৰ্য যাতে বাধাগ্ৰস্ত নহয়, তাৰ বাবে চৰকাৰে সম্পূৰ্ণ সতৰ্কতা অৱলম্বন কৰিছে বুলি তেওঁলোকে দৃঢ়তা প্ৰকাশ কৰে। এই পদক্ষেপক স্থানীয় ৰাইজ আৰু শিক্ষানুষ্ঠানসমূহে উৎসাহজনক বুলি অভিহিত কৰিছে। বহু অভিভাৱকেও সকাহ প্ৰকাশ কৰিছে যে চৰকাৰে বানৰ দুৰ্যোগৰ পিছতো শিক্ষাৰ ক্ষেত্ৰত এনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কিতাপবোৰ যাতে দ্ৰুতগতিত পাইগৈ আৰু শিক্ষাৰ্থীসকলৰ হাতত আগবঢ়ায়, তাৰ বাবে জিলা প্ৰশাসন আৰু স্কুল কৰ্তৃপক্ষক সজাগ হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

# নিৰ্বাচনৰ সময়ত সপ্তাহত দুবাৰ অহা প্ৰধানমন্ত্ৰী

মুখ্য উপদেষ্টা সমুজ্জ্বঞ্জবল কুমাৰ ভট্টাচাৰ্য চৰাইদেউৰ মাহমৰা অঞ্চলত উপস্থিত হয়। ভট্টাচাৰ্যই মাহমৰাৰ বনমালি শান্তিপুৰ অঞ্চলৰ বান পৰিস্থিতি আৰু মথাউৰি পৰিদৰ্শন কৰে আৰু বানপীঞ্জতি ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। ইয়াৰ লগতে তেওঁ গতানুগতিক সাহায্য আৰু পুনৰ্বাসনৰ বিপৰীতে বিশেষ সাহায্য আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। সংবাদ মাধ্যমৰ আগত সমুজ্জ্বঞ্জবল ভট্টাচাৰ্যই কয়, "এই মহাপ্ৰলয়ৰ সময়ত চৰকাৰে ৰাইজক যুদ্ধকালীনভাৱে সাহায্য আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰিব লাগে। অসম চৰকাৰে গতানুগতিকভাৱে যি সাহায্য প্ৰদান আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰে, সেইটোৱেই কৰিলে নহ'ব।" তেওঁ তীব্ৰ প্ৰশ্ন উত্থাপন কৰি কয়, "নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰীয়ে সপ্তাহত দুবাৰকৈ অসমলৈ আহিছিল। কিন্তু বানৰ এই বিভীষিকাময় সময়ত প্ৰধানমন্ত্ৰীও নাই, গৃহমন্ত্ৰীও নাই। তেওঁলোক অসমলৈ আহিব লাগে। অসমৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা নহয় নেকি?" ভট্টাচাৰ্যই লগতে কয়, "অসমৰ সম্পদ, দেশৰ সম্পদ- সকলো সমান। অসমৰ সমস্যাকো ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী অসমলৈ আহি বানক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে। ইয়াক লৈ অসমৰ ৰাইজৰ খং আৰু ক্ষোভ আছে।" ইফালে, ভট্টাচাৰ্যই বান পৰিস্থিতিৰ কাৰণ নিৰ্ণয় কৰিবলৈ এখন বিশেষজ্ঞ সমিতি গঠনৰ পোষকতা কৰে। তেওঁ কয়, "এই বান পৰিস্থিতি কিয় হ'ল, সেই কথা জানিবলৈ আইআইটি গুৱাহাটী, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগঞ্জ বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ লগতে সম্পৰ্কীয় বিভাগৰ বিশেষজ্ঞসকলক লৈ এখন তদন্ত সমিতি গঠন কৰিব লাগে। এই ঘটনা কিয় ঘটিল, ভৱিষ্যতে যাতে পুনৰ নঘটে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।" লগতে তেওঁ ক্ষতিগ্ৰস্ত ৰাইজৰ বাবে গতানুগতিক সাহায্য প্ৰদান কৰাৰ বিপৰীতে এখন বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিবলৈও চৰকাৰক আহ্বান জনায়। বানপীঞ্জতিসকলে যাতে সোনকালে পুনৰ নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পাৰে, তাৰ বাবে দীৰ্ঘম্যাদী আৰ্থিক সহায় অতি প্ৰয়োজনীয় বুলি তেওঁ মত প্ৰকাশ কৰে।

# বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে মুকলি কৰিলে 'Chief Relief Fund'

**অসম বাৰ্তা, কোকৰাঝাৰ, ৩০ জুলাইঃ** বিটিচিৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট অধিৱেশন সমাপ্ত হোৱাৰ পিছতে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰস্থিত বিটিচি বিধানসভা ভৱনত 'Chief Relief Fund' আনুষ্ঠানিকভাৱে মুকলি কৰে। এই সাহায্য পুঁজি দৰিদ্ৰ লোকসকলক আৰ্থিক সহায়, চিকিৎসা সেৱাৰ বাবে সহায়, শিক্ষাৰ ক্ষেত্ৰত সহায়, দুৰ্যোগৰ সময়ত সাহায্য প্ৰদান আৰু ধৰ্ম, জাতি, বৰ্ণ বা ভাষাৰ ভেদাভেদ নকৰাকৈ বিটিচি অঞ্চলৰ জনসাধাৰণৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্যে গঠন কৰা হৈছে। পুঁজিলৈ অনুদান আগবঢ়াব বিচৰা ব্যক্তি বা শুভাকাংক্ষীসকলে www.chiefrelieffund.inত গৈ অনুদান আগবঢ়াব পাৰিব। পুঁজিৰ সৈতে জড়িত যিকোনো সহায় বা তথ্যৰ বাবে ৯৪৩৫০২৭১১৬নম্বৰত যোগাযোগ কৰিব পাৰিব। মুকলি অনুষ্ঠানতে উদ্যোগপতি মঃ ইলিয়াছ আনছাৰীয়ে ৫ লাখ টকা আৰু বিটিচিৰ কাৰ্যবাহী সদস্য লক্ষ্মী দাসে ১ লাখ টকাৰ চেক বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ হাতত 'Chief Relief Fund'লৈ আগবঢ়ায়। এই উপলক্ষে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে জনসাধাৰণ, বিভিন্ন সংগঠন আৰু শুভাকাংক্ষীসকলক বিটিচি অঞ্চলৰ সৰ্বসাধাৰণৰ কল্যাণৰ স্বাৰ্থত উদাৰভাৱে 'Chief Relief Fund'লৈ অনুদান আগবঢ়োৱাৰ বাবে আহ্বান জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন